www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, OCTOBER 30, 2024 ■ বুধবাৰ, ১৩ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.com ৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯৬ Guwahati, Assam ।। মূল্যঃ এটকা

## আজি অভিশপ্ত সেই ৩০ অক্টোবৰ

ই-সংবাদ, ২৯ অক্টোবৰঃ সপোন লৈ ঘৰৰ পৰা ওলাই অহা বহু মানুহৰ জীয়া সপোনে ৩ পৃষ্ঠাত চাওক

## বিহালী সমষ্টিত গৌৰৱ গগৈৰ অংক আৰু ৰাজনীতি

■ নৱনীল বৰুৱা

**বিহালীৰ** অসম সন্মিলিত মৰ্চা চমুকৈ অসমৰ প্ৰাৰ্থীকলৈ যিমান আলোচনা হৈছে, শাসকীয় দলৰ প্ৰাৰ্থীক লৈ তাৰ এশ ভাগৰ এভাগো হোৱা নাই। ই এক শুভলক্ষণ, কাৰণ বিহালীত বিৰোধীৰ যে কিবা এটা আশা আছে, তাকেই শেষাংশ ২ পৃষ্ঠাত

## দীপাৱলীত কেৰালাত অঘটন, ১৫০ গৰাকী আহত

**তিৰুৱনন্তপুৰম, ২৯ অক্টোবৰঃ** দীপাৱলীৰ প্ৰাকক্ষণত কেৰেলাৰ কাছাৰগোড় জিলাৰ এটা মন্দিৰত সংঘটিত ভয়াবহ আতচবাজী বিস্ফোৰণত গুৰুতৰভাৱে আহত শেষাংশ ৩ পৃষ্ঠাত

## অ-আ নাজানে লুৰীণে!

**ই-সংবাদ, ২৯ অক্টোবৰঃ** কংগ্ৰেছ নেতৃত্বাধীন অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম' ভাঙি থান-বান হোৱাত দুই নৱগঠিত আঞ্চলিক দল অসম জাতীয় পৰিষদ আৰু ৰাইজৰ শেষাংশ ৫ পৃষ্ঠাত

## এইমছ গুৱাহাটীয়ে পালে নৱৰূপ!

**ই-সংবাদ, ২৯ অক্টোবৰঃ** নামতহে আছে, কামত নাই। কথা এতিয়া তেনেকুৱাই হৈছে। 'গালো বালো খোলাকতিৰ তাল' যেন হৈ পৰিছে



অসমবাসীৰ বাবে মহানগৰীৰ সমীপৱৰ্তী চাংসাৰিত নিৰ্মিত এইমছখন। অসমৰ মানুহে অত্যাধুনিক শেষাংশ ৫ পৃষ্ঠাত

## শতিকা প্ৰাচীন বৃক্ষ ৰক্ষাৰ্থে ওলাই আহিল মহানগৰবাসী ■ নিশাও দিলে পহৰা

# 'বিপন্ন দীঘলীপুখুৰী'ত অন্য এক চিপকো আন্দোলন




**ই-সংবাদ, ২৯ অক্টোবৰঃ** গুৱাহাটী মহানগৰীত আজি দেখা গ'ল অন্য এক চিপকো আন্দোলন। কেবাজোপা পুৰণি গছেৰে ভৰপূৰ গুৱাহাটীৰ 'হাওফাও'সদৃশ দীঘলীপুখুৰী ৰক্ষা কৰিবলৈ আজি পুৱাতেই হাতত পোষ্টাৰ লৈ শেষাংশ ৪ পৃষ্ঠাত

## জয়ন্তক লৈ মৌনব্ৰত মানৱৰ



বিহালীত তুংগত নিৰ্বাচনী প্ৰচাৰ, তাৰ মাজতে দেখা গ'ল বিধায়ক মানৱক

**ই-সংবাদ, বিশ্বনাথ, ২৯ অক্টোবৰঃ** কংগ্ৰেছ চৰকাৰৰ দিনৰে পৰা একেলগে থকা দাদা ব্ৰিগেড বৰ্তমান বিজেপিত একেলগে আছে যদিও পূৰ্বৰ শেষাংশ ৫ পৃষ্ঠাত

## গুৱাহাটীলৈ অনা হ'ল ট্ৰেডিং প্ৰৱঞ্চক দীপাংকৰ বৰ্মনক

**ই-সংবাদ, ২৯ অক্টোবৰঃ** অৱশেষত গুৱাহাটীলৈ অনা হ'ল প্ৰৱঞ্চক দীপাংকৰ বৰ্মনক। নিশা পাণবজাৰতে ৰখাৰ অন্তত কাইলৈ আদালতত ৪ পৃষ্ঠাত চাওক



## মাজুলীত আজিৰে পৰা চলিব ফেৰী

**ই-সংবাদ, মাজুলী, ২৯ অক্টোবৰঃ** ব্ৰহ্মপুত্ৰৰ জলৰাশি অস্বাভাৱিকভাৱে শুকাই যোৱাৰ পৰিপ্ৰেক্ষিতত মাজুলীৰ কমলাবাৰীৰ পৰা নিমাতী ঘাটলৈ চলাচল কৰা শেষাংশ ৩ পৃষ্ঠাত

## দেৱব্ৰতে ক'লে বিৰোধী ঐক্য অব্যাহত থাকিব

## যোৰহাটৰ পিছত বিহালীত হিমন্তক প্ৰত্যাহ্বান সাংসদ গৌৰৱৰ

**ই-সংবাদ, ২৯ অক্টোবৰঃ** বিৰোধী ঐক্য অব্যাহত ৰখাৰ চেষ্টাত নিৰন্তৰভাৱে কেবাজনো কংগ্ৰেছ নেতাই কাম কৰি গৈছে। আজি বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই সংবাদ মাধ্যমৰ আগত ৰাজহুৱাকৈ কৈছে যে ২০২৬ত বিজেপি চৰকাৰক ওফৰাবলৈ হ'লে সকলো বিৰোধী দল একত্ৰিত হৈ পৰিকল্পনা কৰিব শেষাংশ ২ পৃষ্ঠাত

## পিতৃৰ ইচ্ছা! আইচিইউত বিয়া

**ই-সংবাদ, ২৯ অক্টোবৰঃ** জন্ম, মৃত্যু, বিবাহ হেনো কপালৰ লিখন। কপালৰ লিখন অনুসৰিয়েই জন্ম, মৃত্যু আৰু বিবাহ হয় বুলি প্ৰবাদ আছে। হয়তো কপালৰ লিখন অনুসৰিয়েই এখন পাতিবলগীয়া হ'ল হাস্পতালৰ আইচিইউত। পিতৃয়ে আইচিইউৰ বিছনাত মৃত্যুৰ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহালী সমষ্টিত গৌৰৱ গগৈৰ অংক

প্ৰমাণ কৰিছে। বিহালীৰ ভোটাৰৰ গোষ্ঠীবিন্যাস নজনাকৈ বেচিভাগেই মতামত দিয়া যেন পৰিলক্ষিত হৈছে। বিহালীৰ মুখ্য ভোটাৰ হৈছে চাহ বাগানীয়া আদিবাসী। ভাজপাৰ সেইয়া মুখ্য শক্তি। তাৰ উপৰিও গোৰ্খা, হিন্দু বঙালী, হিন্দী ভাষী আৰু মূলসুঁতিৰ অসমীয়া আছেই।

মাৰ্ক্সবাদী লেনিনবাদীসকলৰ চাহ বাগিছাত এক নিৰ্দিষ্ট সংখ্যক সমৰ্থন আছে। কিন্তু সেইখিনিৰেই জিকা দূৰৈৰ কথা, আমানতৰ ধন বচোৱাও সম্ভৱ নহয়। সম্মিলিত প্ৰাৰ্থী হিচাপে হয়তো কিছু ভোট বাঢ়িলেহেঁতেন কিন্তু ভাজপাক বিশেষ অসুবিধাত পেলাব নোৱাৰিলে হয়। বামপন্থীসকল নৈতিকভাৱে আটাইতকৈ সবল, কিন্তু ৰাজনৈতিকভাৱে দুৰ্বল। চিপিএমৰ বাহিৰে, অন্য বাম দল সকলত তৃণমূল কৰ্মীৰ অভাৱ। জাতীয়তাবাদী শিবিৰৰো বিহালীত অৱস্থা বৰ টনকিয়াল নহয়।
অৰ্থাৎ সমস্ত দায়িত্ব কংগ্ৰেছ দলৰ ওপৰত পৰিলে হয়!

বাকী চাৰিটা সমষ্টিত নিজৰ প্ৰাৰ্থী থাকোতে, স্বাভাৱিকতে কংগ্ৰেছৰ নেতাসকলে বিহালীতকৈ বেলেগত সময় বেচিকৈ দিলে হয়। অৰ্থাৎ চিপিআই এমএলদলক এৰি দিয়া মানে প্ৰায় 'ৱাক অভাৰ'ৰ দৰে হ'ল হয়। কংগ্ৰেছ দলৰ এজন বাগানীয়া সম্প্ৰদায়ৰ নেতাৰ তাত কিছু প্ৰভাৱ আছে, কিন্তু হঠাৎ অজ্ঞাত কাৰণত তেখেতে ময়দানৰ পৰা নিজকে আঁতৰালে। তেখেত শক্তিশালী প্ৰাৰ্থী হ'ল হয়। অজাপ, ৰাইজৰ দলৰ নিজৰ কোনো প্ৰাৰ্থী নাই। কংগ্ৰেছৰ তাত গণভিত্তি আৰু কৰ্মী কিছু হ'লেও আছে। তেনেস্থলত কি কৰিব পৰা গ'ল হয়?

জয়ন্ত বৰাৰ প্ৰাৰ্থিত্ব সম্পূৰ্ণ নৈতিক দৃষ্টিৰে চালে, নিশ্চিতভাৱে খুঁত ওলাব। কিন্তু বহলভাৱে ছবিখন চালে, সেই দিশটো উলাই কৰিব পৰা যায়। কাৰণ, জয়ন্ত বৰাৰ নিজা ভোট আছে আৰু স্থানীয় প্ৰাৰ্থী। লগতে তেওঁ আৰ্থিকভাৱে সবল, যিটো জৰুৰী। কাৰণ বিৰোধীৰ হাতত টকা কম।

আমি লুৰীণজ্যোতিলৈ বাৰ্তা দিছিলো যে জয়ন্ত বৰাক অজাপ'ৰ পৰা প্ৰাৰ্থী হিচাপে নলয় কিয়? সাপো মৰিব, লাঠিও নাভাগিব। গৌৰৱ গগৈক মই কোনো বাৰ্তা দিয়া নাছিলো। কিন্তু চতুৰ ৰাজনীতিবিদ গৌৰৱে জয়ন্ত বৰাক প্ৰাৰ্থিত্ব দি বহু কেইটা গ'ল দিলে। (হয়, স্বীকাৰ কৰো যে হয়তো গৌৰৱ গগৈয়ে গোটেই কাৰবাৰটো আৰু অলপ ডিপ্ল'মেটিকেলি কৰিব পাৰিলে হয়।)

এই গলকেইটানো কি কি?
১) নিৰ্বাচনটো ভাজপাৰ বাবে ৱাক অভাৰ নহ'ব।
২) নিজেই চহকী হোৱাৰ বাবে দলৰ ওপৰত সৰ্বনিৰ্ভৰশীল নহয়।
৩) প্ৰাৰ্থীৰ নিজাববীয়া ভোট কিছু আছেই বাবে তাত আৰু যোগ কৰিবহে লাগিব। অন্ততঃ হাৰিলেও, বেয়াকৈ নাহাৰে!
৪) কংগ্ৰেছৰ নেতাসকলে এতিয়া বিহালীত সময় দিবলৈ বাধ্য।
৫) প্ৰাৰ্থী শক্তিশালী হোৱাৰ বাবে, মুখ্যমন্ত্ৰীকে আদি কৰি ভাজপাৰ শীৰ্ষ নেতা এতিয়া বিহালীত বন্দী হ'ব যাৰ ফলত চামগুৰিত কমকৈ সময় দিব পাৰিব। লোকসভা নিৰ্বাচনত মুখ্যমন্ত্ৰীক যোৰহাটত বন্দী কৰি ৰখাৰ কাৰণে 'নেডা'ত সময় দিব নোৱাৰিলে। তাৰ ফলতেই নাগালেণ্ডত কোনো সংগঠন নোহোৱাকৈ কংগ্ৰেছ দলে আসন কাঢ়ি নিবলৈ সক্ষম হ'ল।

মই যদিও বিৰোধীৰ সকলোকে ভালপাও, তথাপিও এই কাৰণ সমূহৰ বাবেই গৌৰৱ গগৈ তথা কংগ্ৰেছৰ এই জয়ন্ত বৰা পদক্ষেপক সমৰ্থন জনাইছো। আশাকৰো ২৬লৈ বিৰোধী ঐক্য মজবুত হৈ থাকিব আৰু খং অভিমানবোৰ যুক্তিৰ আগত সেও মানিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটৰ পিছত বিহালীত হিমন্তক

লাগিব। ইতিমধ্যে বিৰোধী ঐক্যৰ পৰা কংগ্ৰেছক আঁতৰত ৰখাৰ সিদ্ধান্তৰ কথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে ঘোষণা কৰিছিল। দলৰ সাধাৰণ সভাৰ বৈঠকৰ পিছতে অখিল গগৈয়ে ১২৬টা সমষ্টিত নিৰ্বাচনী কাম-কাজ আৰম্ভ কৰিব বুলি উল্লেখ কৰি আজি বৰপেটা জিলাত কেবাখনো সভা অনুষ্ঠিত কৰে। গগৈয়ে নামনি অসমৰ বহু সমষ্টিত ৰাইজৰ দল প্ৰাৰ্থী হিচাপে বিধানসভাত সাজু হ'বলৈ কেবাজনো নেতাক আগতীয়াকৈ জনাই দিছে। তাৎপৰ্যপূৰ্ণভাৱে বিৰোধী ঐক্য অব্যাহত ৰাখিবৰ বাবে অসমৰ কেবাজনো বিশিষ্ট বুদ্ধিজীৱিয়ে সংগোপনে ইতিমধ্যে এলানি বৈঠকত মিলিত হৈছে। বাওপন্থী শিবিৰৰ লগতে জাতীয়তাবাদী শিবিৰসমূহৰ লগতো বৌদ্ধিকমহলক নেতৃত্ব দিয়া বিশিষ্ট লোকসকলে ২০২৬ৰ বিধানসভা নিৰ্বাচনত বিৰোধী ঐক্যক পুনৰ সক্ৰিয় কৰিবৰ বাবে আলোচনা আৰম্ভ কৰিছে। এই আলোচনাত মুখ্য ভূমিকা গ্ৰহণ কৰিছে যোগেন্দ্ৰ যাদৱে। যাদৱে অসমৰ কেবাজনো বিশিষ্ট লোকৰ লগতে ৰাজনৈতিক দলসমূহৰ মূৰব্বীৰ লগত বাৰ্তালাপ কৰিছে। প্ৰয়োজন হ'লে বিহালী বিধানসভা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থীৰ সমৰ্থনত অসম সন্মিলিত মৰ্চাৰ প্ৰাৰ্থীয়ে মনোনয় প্ৰত্যাহাৰ কৰাৰো এক প্ৰস্তাৱ আলোচনাৰ মাজলৈ আনিছে। অৱশ্যে এই প্ৰস্তাৱক লৈ অসমৰ নেতৃত্বৰ মাজত মতানৈক্য আছে। ইয়াৰ মাজতে আজি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ২০২৬ৰ নিৰ্বাচনী ৰণকৌশল ৰাজহুৱা কৰাৰ বিষয়টোৱে যথেষ্ট তাৎপৰ্য বহন কৰিছে। শইকীয়াই সংবাদ মাধ্যমক এইবুলিও কয় যে কংগ্ৰেছে বিহালীকে ধৰি ৫টা বিধানসভা সমষ্টিতে ভাল ফল দেখুৱাব। বিহালীত কংগ্ৰেছৰ শক্তিশালী প্ৰাৰ্থী থিয় হোৱাৰ বাবে চামগুৰি সমষ্টিত কংগ্ৰেছৰ জয় নিশ্চিত হৈ পৰিছে। একেদৰে শাসকীয় দলৰ মন্ত্ৰী-বিধায়কৰ লগতে মুখ্যমন্ত্ৰীৰ বাবে বিহালী এক গুৰুত্বপূৰ্ণ সমষ্টি হৈ পৰাৰ বাবে বঙাইগাঁও, ছিদলী আৰু ধলাই সমষ্টিত কংগ্ৰেছৰ নিৰ্বাচনী ৰণ সহজ হৈ পৰিছে। হিমন্ত বিশ্ব শৰ্মাই বিহালী বিধানসভা সমষ্টিটো সন্মানৰ প্ৰশ্ন হিচাপে গ্ৰহণ কৰিবলৈ এইবাৰে বাধ্য হ'ব যে বিহালীত গৌৰৱ গগৈয়ে নিজৰ তুৰুপৰ তাচপাত ইতিমধ্যে ৰাজহুৱা কৰিছে। গৌৰৱ গগৈয়ে বিহালীত হিমন্ত বিশ্ব শৰ্মাৰ বাবে এক বিৰাট প্ৰত্যাহ্বান থিয় কৰোৱাৰ বাবে শাসকীয় দলে এতিয়া বিহালীত গৈ নিত্য নতুন কৌশল আৰম্ভ কৰিবলগীয়া হৈছে। দীপাৱলিৰ পিছতে হিমন্ত বিশ্ব শৰ্মাই পীয়ুষ হাজৰিকাক বিহালীত বাহৰ পাতিবলৈ নিৰ্দেশ দিছে। বিহালী বিধানসভা সমষ্টিৰ পূৰ্বৰ বিধায়ক ৰঞ্জিত দত্তই ঘনিষ্ঠ নেতা দিগন্ত ঘাটোৱাৰক প্ৰাৰ্থিত্ব দিয়া বিষয়টোত বিজেপিৰ নেতা পল্লৱ লোচন দাসকে ধৰি একাংশ ক্ষোভিত হৈ আছিল যদিও গৌৰৱ গগৈয়ে জয়ন্ত বৰাক প্ৰাৰ্থী হিচাপে আগবঢ়াই পল্লৱ লোচনৰ বাবেও এক ডিঙিৰ কাঁইট হৈ পৰিল। এতিয়া ৰঞ্জিত দত্তৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, পীয়ুষ হাজৰিকা, পল্লৱ লোচন দাস সকলোৱে জঁপিয়াই পৰিব। কিয়নো এয়া মুখ্যমন্ত্ৰীৰ আসনৰ বাবেও এক ডাঙৰ প্ৰত্যাহ্বান।

# প্ৰাক্তন বিধায়ক অশোক সিংহীক সৰকাৰ মেডিকেল গ্ৰুপৰ সম্বৰ্ধনা

ই-সংবাদ, বিলাসীপাৰা, ২৯ অক্টোবৰঃ বিলাসীপাৰা পূব সমষ্টিৰ প্ৰাক্তন বিধায়ক অশোক কুমাৰ সিংহীয়ে বিধায়ক হৈ থকা কালত ৰাস্তা-ঘাটৰ লগতে বিভিন্ন উন্নয়নমূলক কাম কৰিছিল। প্ৰাক্তন বিধায়কগৰাকীৰ উন্নয়নমূলক কামৰ বাবে আজি বিলাসীপাৰা অঞ্চল আগুৱাই গৈছে। যাৰ পৰিপ্ৰেক্ষিতত প্ৰাক্তন বিধায়কগৰাকীক আজি বিলাসীপাৰা চহৰৰ সূৰ্যখাতাস্থিত সৰকাৰ মেডিকেল গ্ৰুপৰ তৰফৰ পৰা অসমীয়াৰ স্বাভিমান গামোচা জাপি আৰু শৰাইৰে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনাৰ সময়ত মেডিকেলখনৰ স্বত্বাধিকাৰী মকিবুৰ সৰকাৰৰ লগতে বিভিন্ন বিষয়ববীয়াসকল উপস্থিত থাকে। প্ৰাক্তন বিধায়কগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# দীপাৱলীত কেৰালাত অঘটন

■ প্ৰথম পৃষ্ঠাৰ পৰা...

হয় ১৫০ জনৰো অধিক লোক। জানিব পৰা মতে, কাছাৰগোড় জিলাৰ উত্তৰ মালাবাৰ অঞ্চলৰ অঞ্জুথাম্বালম বিৰেৰকাভু মন্দিৰত সোমবাৰে নিশা সংঘটিত হয় এই বিস্ফোৰণৰ ঘটনা। দীপাৱলী উপলক্ষ্যে মন্দিৰৰ সমীপত আতচবাজী জমা কৰি ৰখা এটা কোঠাত সংঘটিত বিস্ফোৰণৰ পিছতে ভক্তসকলৰ মাজত আতংকময় পৰিৱেশৰ সৃষ্টি হয়। জুই আৰু ধোঁৱাই সমগ্ৰ অঞ্চলটো ঘেৰি ধৰাত আতংকত প্ৰাণ বচাবলৈ লৰাঢপৰা লাগে উপস্থিত সকলৰ মাজত। এই দুৰ্ঘটনাত আহতসকলৰ ভিতৰত দহ জনৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে। প্ৰত্যক্ষদৰ্শীৰ মতে, নিশা প্ৰায় ১২ বজাত আতচবাজী জ্বলোৱাৰ সময়ত এটা ফটকা আতচবাজী মজুত কৰি ৰখা এটা কোঠাৰ ভিতৰত পৰে আৰু তাৰ পিছতে কোঠাটোত বিস্ফোৰণ হয়। বিশাল জুইৰ শিখা আৰু ধোঁৱাই সমগ্ৰ অঞ্চলটো ঘেৰি ধৰাত তীৰ্থযাত্ৰীসকলৰ মাজত হুৱাদুৱা লাগে। ইফালে এই ঘটনাৰ পিছতে ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী আৰু আৰক্ষীৰ দল উপস্থিত হৈ জুই নিৰ্বাপণৰ কাম আৰম্ভ কৰে। আহত সকলক ততাতৈয়াকৈ উদ্ধাৰ কৰি নিকটৱৰ্তী হাস্পতাললৈ প্ৰেৰণ কৰা হয়। অভিযোগ অনুসৰি, ফটকা মজুত কৰি ৰখা কোঠাটো মন্দিৰৰ একেবাৰে ওচৰতে হোৱাৰ ফলতেই ক্ষতিৰ পৰিমাণ বৃদ্ধি পায়। ইফালে যিটো ষ্ট'ৰহাউচত আতচবাজীসমূহ মজুত কৰি ৰখা হৈছে, সেই ষ্ট'ৰহাউচটো সুৰক্ষাৰ দিশৰ পৰাও অতি দুৰ্বল আছিল বুলি অভিযোগ কৰে স্থানীয় ৰাইজে। এই ঘটনাৰ পিছতে মন্দিৰ সমিতিৰ সভাপতি আৰু সম্পাদকক আৰক্ষীৰ জিম্মাত লোৱা হৈছে। মন্দিৰ কৰ্তৃপক্ষই জনোৱা মতে, তেওঁলোকে এটা অস্থায়ী টিনৰ ঘৰত প্ৰায় ২৮ হাজাৰ টকা মূল্যৰ কম তীব্ৰতাসম্পন্ন ফটকা মজুত কৰি ৰাখিছিল আৰু তাতেই নিশা সংঘটিত হয় ভয়ংকৰ বিস্ফোৰণটো।

# মাজুলীত আজিৰে পৰা চলিব

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ফেৰীসমূহ সঘন বালিচৰত আবদ্ধ হৈ পৰাত ফেৰী চলাচলৰ সমস্যা হোৱাত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে বন্ধ ৰাখিছিল কমলাবাৰী ঘাটৰ পৰা চলাচল কৰা যাত্ৰীবাহী ফেৰীসমূহ। যাৰ পৰিপেক্ষিত প্ৰায় ১০টা দিনে বন্ধ হৈ আছিল কমলাবাৰী ঘাট। যাৰ ফলত সমস্যা সৃষ্টি হৈছিল মাজুলীবাসীৰ। এটা পাৰ ঘাটৰ ওপৰতেই নিৰ্ভৰ কৰিব লগা হৈছিল মাজুলীবাসী। মাজুলীৰ ৰাস, পালনাম উৎসৱ সমাগত। এই উৎসৱত মাজুলীলৈ হাজাৰ হাজাৰ লোকৰ সমাগম হয়। এনেদৰে এটা পাৰঘাটৰ ওপৰত নিৰ্ভৰ কৰাটো সম্ভৱ নহয়। পুনৰ কমলাবাৰী পাৰ ঘাটটো যাতায়াতৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চালাচৰ ব্যৱস্থা কৰিবলৈ দাবী জনাই আহিছিল মাজুলীবাসীয়ে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, মাদ্ৰাজৰ এটা বিশেষজ্ঞ দলৰ তত্ত্বাৱধানত ২৬ অক্টোবৰৰ পৰা বিশেষ ড্ৰেজাৰেৰে ফেৰী চলাচলৰ সুবিধা হোৱাকৈ ব্ৰহ্মপুত্ৰৰ বুকুৰ ফেৰীপথ খনন কাৰ্য আৰম্ভ কৰিছিল। আজি পাঁচটা দিনে এই খনন কাৰ্য চলাই থকা হৈছে। ১০টা দিনে বন্ধ হৈ থকা কমলাবাৰী-নিমাতী ফেৰী সেৱা ৰাইজৰ সুবিধাৰ বাবে কাইলৈৰ পৰা আৰম্ভ হ'ব বুলি আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ পৰা জানিবলৈ দিছে। পূৰ্বৰ ঘাটটো স্থানান্তৰ কৰি ঘাটটো ব্ৰহ্মপুত্ৰৰ মাজৰ দৰবাৰ চাপৰিলৈ স্থানান্তৰ কৰা বুলি জানিবলৈ দিছে। কিয়নো ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য চলি আছে এতিয়া যিটো অংশলৈ ঘাটটো নিয়া হৈছে উক্ত অংশৰে ফেৰীৰ চলাচল সহজ হ'ব। সেই বাবেই স্থানান্তৰ কৰা হৈছে বুলি বিভাগে জানিবলৈ দিছে। কাইলৈ পুৱা ৭ বজাৰ পৰা এই ফেৰী সেৱা ঘাটটোৰ পৰা নিমাতী ঘাটলৈ চলাচল কৰিব। ৰাসৰ আনন্দ-উছৱ আৰম্ভ হোৱাৰ পূৰ্বেই ঘাটটোৰ পৰা পুনৰ ফেৰী সেৱা চলাচল কৰাৰ খবৰ লাভ কৰি সন্তোষ প্ৰকাশ কৰিছে মাজুলীবাসী ৰাইজে।

# পিতৃৰ ইচ্ছা! আইচিউত বিয়া

■ প্ৰথম পৃষ্ঠাৰ পৰা...

সৈতে যুঁজিছে। পিতৃৰ শেষ ইচ্ছা আছিল পুত্ৰৰ বিয়াখন চাই যোৱাৰ। কিন্তু জীৱনৰ বিয়লিবেলাই বেয়াকৈ কোবোৰা পিতৃয়ে আইচিইউ এৰি আহিব নোৱাৰে। কিন্তু পুত্ৰই পিতৃৰ ইচ্ছা পূৰণ কৰি আইচিইউতে বিয়াখন পাতিলে। পুত্ৰৰ বিয়াখন চাই দুই ঘণ্টাৰ পাছত পিতৃয়ে এই জগতৰ মায়া-মোহ এৰি চিৰদিনৰ বাবে বৈকুণ্ঠগামী হয়। পিতৃৰ শেষ ইচ্ছা পূৰণ কৰাৰ দুই ঘণ্টা পাছতে এই পৃথিৱীৰ মায়া এৰি গুছি যোৱাৰ এনে ঘটনা সংঘটিত হৈছে এইখন অসমত। আইচিইউত বিয়াত বহে ধৰিত্ৰী তালকুদাৰ আৰু ভ্ৰাম্যমান থিয়েটাৰৰ অভিনেতা পি.জে প্ৰিন্সে। আইচিইউত মৃত্যুক আকোৱালি লয় লোকজন হৈছে বৰপেটাৰ কহাৰ শিল্পী মৃগেন পাঠকে। বৰপেটাৰ শিল্পী মৃগেন পাঠকে দুমাহ পূৰ্বে সমীপৱৰ্তী গাঁও বাটিকুৰিহাৰ ধৰিত্ৰী তালকুদাৰক পুত্ৰ প্ৰিন্সৰ বাবে ঠিক কৰিছিল। দুয়ো পৰিয়ালে চোৱা-চিতা কৰা ধৰিত্ৰী তালকুদাৰ আৰু পি.জে প্ৰিন্সৰ বিয়া ঠিক কৰিছিল। দুয়োটা পৰিয়ালত বিয়াৰ বাবে যা-যোগাৰ কৰি আছিল। তেন্তে সময়তে দৰা পি.জে প্ৰিন্সৰ পিতৃ তথা কহাৰ শিল্পী মৃগেন পাঠক গুৰুতৰভাৱে অসুস্থ হৈ পৰে। পৰিয়ালে হাস্পতালত ভৰ্তি কৰে যদিও দিনে দিনে স্বাস্থ্যৰ অৱস্থা বেয়াৰ ফালে যায়। হাস্পতাল কৰ্তৃপক্ষই আইচিইউত ৰাখি চিকিৎসা কৰি আছিল যদিও পিতৃয়ে শেষ ইচ্ছা ব্যক্ত কৰি ঠিক কৰি থোৱা ছোৱালজনীৰ সৈতে পুত্ৰ বিয়াখন চাই যোৱাৰ ইচ্ছা ব্যক্ত কৰে। পিতৃয়ে হাস্পতালৰ বিছনাৰ পৰা ব্যক্ত কৰা শেষ ইচ্ছা পূৰণ কৰিবলৈ পুত্ৰ ঠিক কৰি থোৱা ছোৱালীজনীক কইনাৰ সাজ পিন্ধাই আইচিইউলৈ আনি কপালত সেন্দুৰকণ দি ইচ্ছা পূৰণ কৰে। পুত্ৰৰ বিয়া চোৱাৰ দুই ঘণ্টা পাছতে কহাৰ শিল্পী মৃগেন পাঠকে শেষ নিশ্বাস ত্যাগ কৰে। এই ঘটনাই বহুতকে আৱেগিক কৰিছে।

# আজি অভিশপ্ত সেই ৩০

■ প্ৰথম পৃষ্ঠাৰ পৰা...

সিদিনা ৰাজপথত চিৎকাৰ কৰিছিল। চকুৰে দেখিও অসমীয়াই বিশ্বাস কৰিব পৰা নাছিল আপোন মানুহে এদিন নিজৰ অসম ভূমিতে এনেদৰে চিৎকাৰ কৰিব লাগ হ'ব বুলি। সেই দিনটোক অসমীয়াই পাহৰিব কেনেকৈ। অসম নামৰ ৰাজ্য খনৰ বাবে সেই দিনটো আছিল হৃদয় বিদাৰক। জুই, কলা ধোৱা আৰু মানুহৰ আৰ্তনাদে অসমৰ আকাশ ছানি ধৰিছিল। তেজৰ চেকুৰা বৈ গৈছিল অসমৰ ৰাজপথত। মানুহৰ গাৰ মঙহ অ'ত ত'ত ছিটিকি পৰিছিল। অসমৰ চৌদিশে কেৱল আৰ্তনাদ শুনা গৈছিল। কিছু মুহূৰ্তৰ বাবে সকলোৰে উশাহ-নিশাহ বন্ধ হৈ পৰিছিল। ২০০৮ চনৰ ৩০ অক্টোবৰ আৰু সেই দিনটো আছিল বৃহস্পতিবাৰ। গুৱাহাটী মহানগৰীত শক্তিশালী বোমা বিস্ফোৰণ হৈছিল। গণেশগুৰি, পানবজাৰ আদালত চৌহদ, বৰপেটা, বঙাইগাঁও আৰু কোকোৰাঝাৰত সন্ত্ৰাসবাদীয়ে ৯ টাকৈ ভয়াবহ বোমা বিস্ফোৰণ সংঘটিত কৰিছিল। সন্ত্ৰাসবাদীৰ বোমাত মুহূৰ্ততে প্ৰাণ গৈছিল বহুলোকৰ। ভয়াৱহ বিস্ফোৰণৰ স্মৃতি অসমীয়াই আজিও পাহৰিব পৰা নাই অসমীয়াই। বিস্ফোৰণত বহু পৰিয়ালে চিৰকালৰ বাবে হেৰুৱাইছিল আপোনজনক। বহু নাৰীৰ কপাল উকা হৈছিল। বহু মাতৃৰ বুকু উদং হৈছিল। যাৰ বাবেই ৩০ অক্টোবৰক অসমীয়াই স্মৃতিৰ পৰা মচি পেলাব নোৱাৰে। ৩০ অক্টোবৰ আহিলেই বুকু কঁপি উঠে অসমীয়াৰ। বুকু কঁপি উঠে মহানগৰবাসীৰ। ভয়াবহ দিনটোৰ স্মৃতিয়ে শংকিত কৰি তোলে অসমীয়াক। সন্ত্ৰাসবাদৰ ভয় লগা ছবিখন মচিব নোৱাৰে অসমীয়াই। আপোন মানুহক হেৰুৱাৰ বেদনাত অসমীয়া আজিও ম্ৰিয়মান। এনেকৈ বছৰি বছৰি আহে ৩০ অক্টোবৰ। এইবাৰো আহিছে সেই অভিশপ্ত দিনটো। আজিৰ দিনটোতে বোমা বিস্ফোৰণ কাণ্ড সংঘটিত হৈছিল। অসমৰ ৰাইজে বিস্ফোৰণত নিহত লোকসকলক শ্ৰদ্ধাঞ্জলি যাচিব। ৰাজ্যৰ উজনি-নামনিৰ দল-সংগঠন তথা স্বেচ্ছাসেৱী সংগঠনে বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি যাচিব। তেওঁলোকৰ আত্মাৰ সদ্গতি কামনা কৰিব। মহানগৰীতো গণেশগুৰি, দীঘলীপুখুৰীত দল-সংগঠনে চাকি জ্বলাই বিস্ফোৰণত নিহত লোকসকলক শ্ৰদ্ধাঞ্জলি যাচিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘বিপন্ন দীঘলীপুখুৰী’ত অন্য এক

ওলাই আহিল সত্তৰ-আশী বছৰীয়া বয়োজ্যেষ্ঠ। দহোবন কাটি কৰি স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰী, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া-আৰক্ষী বিষয়া, শিক্ষানুষ্ঠানৰ পৰা অৱসৰগ্ৰহণ কৰা বহু শিক্ষাবিদ, বিভিন্ন দল-সংগঠনৰ নেতা-নেত্ৰীয়ে গুৱাহাটী মহানগৰীৰ হাঁওফাঁও ৰক্ষাৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আজি ওলাই আহে। ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰাই নহয়, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়কো এখন স্মাৰক পত্ৰযোগে গুৱাহাটীৰ ঐতিহ্যমণ্ডিত এটা এলেকাৰ গছ কাটি ধ্বংস নকৰিবলৈ কয় গুৱাহাটীৰ নাগৰিকে। মহানগৰীৰ গুৰুত্বপূৰ্ণ পাৰিপাৰ্শ্বিকতা ৰক্ষাত প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰে নাগৰিক সমাজে। ৰাজপথত গণ স্বাক্ষৰ অভিযানো চলোৱা হয়। গুৱাহাটীৰ হাঁওফাঁওখ্যাত সেউজ দীঘলীপুখুৰীপাৰ ধ্বংস কৰিব দিয়া নহ’ব বুলি হুংকাৰ দিয়ে। প্ৰাকৃতিক সেউজীয়া ধ্বংস কৰি চৰকাৰে উৰণীয়া সেতুৰ মহানগৰ তৈয়াৰ কৰিব খোজা কাৰ্যক কেতিয়াও মানি নোলোৱাৰ হুংকাৰ দি ৰাজ্য চৰকাৰক সিদ্ধান্ত শীঘ্ৰে বাতিল কৰিবলৈ সময়সীমা বান্ধি দিছে প্ৰতিবাদকাৰীসকলে। জ্যেষ্ঠ সাংবাদিক মাইনী মহন্তই কয় যে আমি চিমেণ্ট আৰু ধুলিৰে আৱৰি আছো। দীঘলীপুখুৰীয়ে আমাক সতেজ বায়ু আগবঢ়ায়। গছবোৰ কটাৰ বিৰোধিতা কৰা মানেই বিকাশৰ বিৰোধিতা কৰা নহয়। পৰিৱেশ সংৰক্ষণৰ লগতে উন্নয়ন হ’ব লাগিব। গছ ৰক্ষাৰ বাবে ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহাগনৰীত কেইবা শ মানুহে আজি প্ৰতিবাদ সাব্যস্ত কৰিছে। ৰাজধানীৰ আশী-সত্তৰ বছৰীয়া বয়োজ্যেঠ লোকে গছ নাকাটিবলৈ হুংকাৰ দি ৰাজপথলৈ ওলাই অহা পৰিলক্ষিত হয়। মহানগৰীৰ মাজ-মজিয়াত হাতত প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। দীঘলীপুখুৰীক ৰক্ষা কৰক, চেভ মি আই এম গ্ৰীণ, পৰিভ্ৰমী চৰাইৰ বাসস্থান ভাঙি নেপেলাব, যদি গছ নাথাকে উন্নয়ন কাৰ? যদি মানুহ নাথাকে বিকাশ কাৰ? শতিকা প্ৰাচীন বয়সৰ গছ কাৰ স্বাৰ্থত কাটিবলৈ ওলাইছে, উন্নয়নৰ নামত গছ কটা বন্ধ কৰক, পৰিবেশ আৰু মানুহ ৰক্ষাৰ স্বাৰ্থত দীঘলীপুখুৰীপাৰ বচাওক আদি শ্লʼগান দি কেইবা শতাধিক নাগৰিকে প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে বেনাৰ, ফেষ্টুন, পোষ্টাৰ লৈ উৰণ সেঁতুৰ নামত গছ কটা বন্ধ কৰাৰ লগতে দীঘলীপুখুৰী পাৰৰ সৌন্দৰ্য্য নিঃশেষ কৰিবলৈ লোৱা সিদ্ধান্ত বাতিল কৰিবলৈ নাগৰিক সমাজে ‘নাগৰিক প্ৰতিবাদ’ সাব্যস্ত কৰে। উল্লেখ্য যে, ৰিজাৰ্ভ বেংকৰ পৰা গুৱাহাটী ক্লাৱ হৈ নুনমাটিলৈ নিৰ্মাণ হৈ থকা গুৱাহাটীৰ সবাতোকৈ দীৰ্ঘ উৰণীয়া সেঁতুখন নিৰ্মাণৰ বাবে দীঘলীপুখুৰীপাৰৰ ২৫ জোপা প্ৰায় ডেৰ-দুশ বছৰীয়া প্ৰকাণ্ড প্ৰকাণ্ড গছ কাটি পোলোৱাৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। ইতিমধ্যে গছসমূহত কাট মাৰ্ক দি কাটিবলৈ যো-জা চলোৱাত ৰাইজ ক্ষুন্ন হৈ পৰিছে। ঐতিহ্যমণ্ডিত দীঘলীপুখুৰীপাৰ গুৱাহাটীৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এই প্ৰাণকেন্দ্ৰৰ অন্যতম অংগ হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গছ কেইডাল। এই গছ কেইডাল নথকা মানেই দীঘলীপুখুৰী পাৰৰ অস্তিত্ব শেষ হ’ব। যাৰ বাবে আজি কেইবা শ নাগৰিকে ‘নাগৰিক প্ৰতিবাদ’ সাব্যস্ত কৰিছে। পুৱাই ৰাজপপথলৈ ওলাই অহা পুৰুষ-মহিলা, যুৱক-যুৱতীয়ে গীত গাই, গছক সাৱটি, গছৰ তলত মানৱ শৃংখল কৰি গছ নাকাটিবলৈ চৰকাৰক দাবী জনাইছে। নাগৰিকে কৰা প্ৰতিবাদত একপ্ৰকাৰ কঁপি উঠিল সমগ্ৰ দীঘলীপুখুৰী। এই প্ৰতিবাদী কাৰ্যসূচীত জ্যেষ্ঠ সাংবাদিক নিত্য বৰা, মাইনী মহন্ত, কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ, আপ নেত্ৰী অনুৰূপা ডেকা ৰজা, যুৱ নেতা সুব্ৰত তালুকদাৰ আদিয়ে অংশ লয়। প্ৰতিবাদকাৰীয়ে উদাত্ত কণ্ঠ কয় যে মহাভাৰতৰ যুগৰ ইতিহাসত হাত দিছে চৰকাৰে। গছ হত্যাৰ শাস্তি পাব গছ হত্যাকাৰীয়ে। চৰকাৰৰ বৰমুৰীয়াই নাজানে ইতিহাস। বৰমুৰীয়াই ইতিহাস নপঢ়ে। লগতে এই প্ৰতিবাদ কোনো দল-সংগঠনৰ নহয়, এয়া গুৱাহাটীবাসীৰ প্ৰতিবাদ বুলি দাবী কৰে। প্ৰতিবাদকাৰীয়ে দীঘলীপুখুৰীৰ দুয়োপাৰে থকা পুৰণি গছ কেইডাল নাকাটিবলৈ এক গণ স্বাক্ষৰ অভিযান চলাই। ইতিমধ্যে এই স্বাক্ষৰ অভিযানত ইন্দ্ৰানী দত্ত, মছদ্দৰ হুছেইন, শান্তনু বৰঠাকুৰ, নজিব আহমেদ, মৌচম হাজৰিকা, বেণুধৰ বৰুৱা, কীৰ্তি কমল ভুঞা, মাইনী মহন্ত, মনোৰমা শৰ্মা, অপূৰ্ব বৰুৱা, দেবেন দেৱান, মাধুৰিমা বৰুৱা, অজিত পাটোৱাৰী, সিদ্ধেশ্বৰ দাস, ড০ ভূপেন ডেকা, ড০ বিমল মেধি, ত্ৰিদিব বৰা, ড০ জয়ন্ত বৰুৱা, খনীন সিকদাৰ, হামিদ হুছেইন, ফায়েক আজাদ, দীপাঙ্ক হাজৰিকা, কৰবী দত্ত, সদা শৰ্মা, সবিতা লহকৰ, প্ৰফুল্ল শৰ্মা, শঙ্কৰ শইকীয়া, ৰাজীৱ ফুকন, অমৰদীপ গগৈ, সুস্নাতা গোস্বামী, খনীন তালুকদাৰ, ফনীন্দ্ৰ দত্ত পাটগিৰি, তন্মনা চৌধুৰী, এহচান মুজিদ, অৰ্চনা ভট্টচাৰ্য্য, প্ৰণৱ তালুকদাৰ, মধুমিতা তালুকদাৰ আৰু পূজা নিৰলাই স্বাক্ষৰ কৰিছে। দীঘলীপুখুৰীৰ পাৰৰ ১০০-২০০ বছৰীয়া গছ কাটি প্ৰকৃতিৰ ধ্বংস মানি নলয় বুলি গুৱাহাটী মহানগৰবাসীয়ে। উল্লেখ্য যে, চৰকাৰৰ মানুহে সময়ে সময়ে ছাত্ৰ-ছাত্ৰীক একত্ৰিত কৰি গছপুলি ৰোপণ কৰিব লাগে বুলি জ্ঞান দিয়ে। অসমৰ বৰ্তমানৰ চৰকাৰখনে আকৌ প্ৰকৃতি ৰক্ষাৰ বাবে গছপুলি ৰোপণৰ আঁচনি এখন ৰূপায়ন কৰিছিল। অসম চৰকাৰে 'অমৃত বৃক্ষ' অভিযান চলাই কেইবা কোটি গছপুলি ৰোপণ কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ কথা কৈ বাঃ বাঃ লয়। কিন্তু একেই সময়তে এইখন অসম চৰকাৰে জীৱিত গছ কাটি প্ৰাকৃতিক ভাৰসাম্য ধ্বংস কৰিব খোজাত এতিয়া এনেদৰে আন্দোলনত নামিবলগীয়া হৈছে মহানগৰবাসী। আনকি আজি নিশাৰ ভাগতো বহু প্ৰতিবাদকাৰীয়ে পাল পাতি দীঘলীপুখুৰীৰ ঐতিহ্যমণ্ডিত গছকেইজোপা পহৰা দিয়া পৰিলক্ষিত হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীলৈ অনা হ’ল ট্ৰেডিং প্ৰৱঞ্চক

হাজিৰ কৰোৱা হ’ব দীপাংকৰক। যিসকল লোকে দীপাংকৰ বৰ্মনৰ কোম্পানীত ধন বিনিয়োগ কৰিছেল সেইসকল লোকক ধন উভতাই দিয়াৰো আশ্বাস দিছে অসম আৰক্ষীয়ে। আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে আজি তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰি কয় যে যিসকল লোকে দীপাংকৰ বৰ্মনৰ কোম্পানীত ধন জমা কৰিছিল সেই লোকসকলক পৰ্যায়ক্ৰমে বৰ্মনৰ সম্পত্তি বাজেয়াপ্ত কৰি ধন উভতাই দিয়াৰ ব্যৱস্থা কৰা হ’ব। গোৱাত গ্ৰেপ্তাৰ হোৱা দীপাংকৰ বৰ্মনক গুৱাহাটী আৰক্ষীয়ে অসমলৈ আনিবলৈ যো-জা চলোৱাৰ সময়তে আজি প্ৰৱঞ্চনাৰ বলি লোকসকলক এই আশ্বাদ দিছে জি.পি সিঙে। আজি সংবাদমাধ্যমৰ মুখামুখি হৈ সিঙে কয় যে দীপাংকৰৰ সম্পত্তি বাজেয়াপ্ত কৰা হ’ব। আইন মতে সেই সম্পত্তিৰ পৰা ভুক্তভোগীক ধন উভতাই দিয়া হ’ব। তাৰ বাবে বিনিয়োগকাৰীয়ে দিব লাগিব উপযুক্ত প্ৰমাণ। গোচৰৰ তদন্ত সমাপ্তি হোৱাৰ পাছত ইয়াক লৈ এখন সমিতি গঠন কৰা হ’ব আৰু সেই সমিতিয়ে আইনমতে এই কাম কৰিব। উপযুক্ত তথ্য-প্ৰমাণ দিয়া বিনিয়োগকাৰীক অলপ হ'লেও ধন উভতাই দিবলৈ সক্ষম হম। ইপিনে দীপাংকৰ বৰ্মনক গ্ৰেপ্তাৰ কৰি কয় যে এদিন নহয় এদিন বৰ্মন ধৰা পৰিবই, মই আগতে কৈছো। অপৰাধী যিমান চালাক হ’লেও প্ৰমাণ এৰি যায়। অভিযানত চিবিআইয়ে বহুত সহায় কৰিছে। পলাই থকা সকলো খুব সোনকালে ধৰা পৰিব। লগতে সিঙে ইয়াকে কয় যে আজি দীপাংকৰক গোৱাৰ পৰা গুৱাহাটীলৈ লৈ অনা হ’ব। ডি.বি ষ্টক নামৰ ভুৱা কোম্পানী স্থাপন কৰি বহু শ লোকৰ পৰা কোটি কোটি টকা সংগ্ৰহ কৰিছিল দীপাংকৰ বৰ্মনে। সেই ধন ট্ৰেডিং কোম্পানীত বিনিয়োগ কৰি দুগুণ কৰি উভতাই দিয়াৰ কথা দিছিল যদিও অৱশেষত অসম এৰি পলায়ন কৰিছিল। ট্ৰেডিঙৰ নামত কোটি কোটি টকা আত্মসাৎ কৰি গোৱাত লুকাই থকা অৱস্থাত ২৭ অক্টোবৰত দীপাংকৰ বৰ্মনক গ্ৰেপ্তাৰ কৰিছিল গোৱা আৰক্ষী আৰু অসম আৰক্ষীয়ে। দুমাহ মাহ ধৰি আত্মগোপন কৰি থকা দীপাংকৰ বৰ্মনক ২৭ লাখ টকা আৰু সোণসহ গোৱাত গ্ৰেপ্তাৰ কৰা হয়। গোৱা আৰক্ষীয়ে ২৮ অক্টোবৰত বৰ্মনক স্থানীয় আদালতত হাজিৰ কৰিছিল যদিও আদালতে অসম আৰক্ষীক জিম্মাত দিয়া নাছিল। কিন্তু আজি অসম আৰক্ষীয়ে আদালতত আৰ্জি দিয়াত অসম আৰক্ষীক জিম্মাত দিয়াৰ নিৰ্দেশ দিয়াত আজি নিশাই দীপাংকৰক লৈ গুৱাহাটীত উপস্থিত হয় পাণবজাৰৰ এচিপিসহ ৫ জনীয়া দলটোৱে। আন আন ৰাজ্যৰ আৰক্ষীয়েও বৰ্মনক জিম্মাত বিচৰাৰ সম্ভাৱনা আছে। বৰ্মনে কেইবাখনো ৰাজ্যত ডি.বি ষ্টক নামৰ কোম্পানীৰ এজেণ্ট নিয়োগ কৰি ধন সংগ্ৰহৰ অভিযোগ আছে। দীপাংকৰে পলায়ন কৰি থকা অৱস্থাত আৰক্ষীয়ে প্ৰেমিকা, পিতৃ-মাতৃ চবিন বৰ্মন, দীপালি তালুকদাৰক গ্ৰেপ্তাৰ কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এইমছ গুৱাহাটীয়ে পালে নৱৰূপ!

সুবিধা সংযোজন নকৰাত এইমছত উন্নত চিকিৎসা লাভ কৰা নাই বুলি অভিযোগ উত্থাপন হৈ আহিছে। এইমছৰ নামত প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা কেইটা থিয় দি আছে। অসমৰ মানুহে গুৱাহাটীৰ এইমছখন কেতিয়া পূৰ্ণ ৰূপত কাৰ্যক্ষম হ'ব আৰু দিল্লীৰ এইমছখনৰ দৰে ৰোগীক সেৱা কৰিবলৈ সক্ষম হ'ব এই কথা বাৰে বাৰে ৰাইজে অভিযোগ আকাৰে কৈ আহিছে। স্থানক লৈ দীৰ্ঘ বিতৰ্কৰ অন্তত ২০১৭ চনৰ ২৬ মে'ত অল ইণ্ডিয়া ইনষ্টিটিউট অৱ মেডিকেল চাইন্সেছ চমুকৈ এইমছ গুৱাহাটী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধাৰশিলা স্থাপন কৰিছিল। ২০২৩ চনৰ ১৪ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইমছ গুৱাহাটী উদ্বোধন কৰে। ১০০ খন আসন লাভ কৰা এইমছত ৫০ জন এমবিবিএছ শিক্ষাৰ্থীয়ে ২০২১ চনৰ জানুৱাৰীৰ পৰা এমবিবিএছ শিক্ষাৰ্থী গ্ৰহণ কৰি আছে। কিন্তু অসমৰ সাধাৰণ জনগণে উন্নত চিকিৎসা সেৱা লাভ নকৰাৰ অভিযোগ উত্থাপন কৰি আহিছে। ইয়াৰ মাজতে ধন তেৰাছৰ দিনটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইমছ গুৱাহাটীত কেইবাটাও বিশেষ সুবিধা সংযোগ কৰিছে। চাংসাৰিত নিৰ্মিত এইমছত সুবিধাসমূহ আয়ুৰ্বেদ দিৱসৰ দিনটোত প্ৰদান কৰিছে প্ৰধানমন্ত্ৰীগৰাকীয়ে। আজি দেশৰ আন ৰাজ্যৰ বাবে বহু আঁচনি মোদীয়ে উচৰ্গা কৰাৰ লগতে লগতে গুৱাহাটী এইমছৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সুবিধা উপলব্ধ কৰিছে। ফাইটো ফাৰ্মাচিউটিকেল কেন্দ্ৰ, ৰেডিঅ'থেৰাপী ব্লক, তিনিটা এমআৰআই ব্যৱস্থা, ডেক্সা স্কেন, প্ৰেক্ষাগৃহ, বাই-প্লেন, নিশাৰ আশ্ৰয়স্থলী মুকলি কৰে মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে আঁচনিসমূহ মুকলি কৰি কয় যে স্বাস্থ্য খণ্ডৰ প্ৰকল্পসমূহে মাৰ কল্যাণত সহায় কৰিব। অসমত উৎসৰ্গা কৰা প্ৰকল্পসমূহে ৰাজ্যৰ স্বাস্থ্য খণ্ডক এক বিশেষ সহায়ক হ'ব। আনহাতে প্ৰধানমন্ত্ৰীয়ে এইমছত কেইবাটাও সুবিধা সংলগ্ন কৰাত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভূয়সী প্ৰশংসা কৰে প্ৰধানমন্ত্ৰীক। মুখ্যমন্ত্ৰীয়ে কয় যে আজি আয়ুৰ্বেদ দিৱসৰ মহান উপলক্ষত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা ডাঙৰীয়ালৈ এইমছ-গুৱাহাটীত কেইবাটাও নতুন বিশেষ সুবিধা প্ৰদান কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই নতুন সংযোজনে সৰ্বভাৰতীয় চিকিৎসা প্ৰতিষ্ঠানটোক এক নতুন শিখৰলৈ লৈ যোৱাত যথেষ্ট সহায় কৰিব। উল্লেখ্য যে, আজি নৱম আয়ুৰ্বেদ দিৱস উপলক্ষে স্বাস্থ্য খণ্ডত সমগ্ৰ দেশৰ বাবে ১২,৮৫০ কোটি টকাৰ প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিছে নৰেন্দ্ৰ মোদীয়ে। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ৭০ বছৰ বা তাতকৈ অধিক বয়সৰ সকলো নাগৰিকৰ বাবে স্বাস্থ্য কভাৰেজ আৰম্ভ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আঁচনিখনৰ অধীনত যিসকলে আয়ুষ্মান কাৰ্ড লাভ কৰে ২৯ অক্টোবৰৰ পৰা আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ তালিকাভুক্ত চিকিৎসালয়ত ৫ লাখ লৈকে বিনামূলীয়া চিকিৎসা লাভ কৰিব। আজিৰ পিছত এইমছে কি ৰূপ পায় সেয়া হ'ব লক্ষণীয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অ-আ নাজানে লুৰীণে!

দলৰ নেতা অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈছে বিজেপিৰ নেতাসকলে। বিজেপিক পৰাভূত কৰাৰ হুংকাৰ দি অহা অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈক বিহালী আসনখন এৰি নিদি কংগ্ৰেছে নিজাববীয়াকৈ প্ৰাৰ্থী ঘোষণা কৰাত দুয়োনেতাৰ অসহায় অৱস্থাত ৰস পাইছে বিজেপি নেতাই। অসমত ভাঙোন অহাত বিজেপিৰ নেতাই বক্ৰোক্তি কৰা থকাৰ মাজতে এইবাৰ বিৰোধী মিত্ৰতাক আৰু লুৰীণজ্যোতি গগৈক আক্ৰমণৰ লক্ষ্য কৰি লয় মন্ত্ৰী ৰণজিৎ দাসে। কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ থকা লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈক কটাক্ষ কৰিলে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মৰ্চা-টৰ্চা এইবোৰ সংবাদ মাধ্যমে জীয়াই ৰাখিছে বুলি কটুক্তি কৰিছে। কংগ্ৰেছক মিত্ৰতাৰ ধৰ্ম বিজেপিৰ পৰা শিকিবলৈ কোৱাত উত্তৰ দিবলগীয়া একো নাই বুলি কৈ মন্ত্ৰী দাসেকয় যে লুৰীণজ্যোতি গগৈয়ে ৰাজনীতিৰ অ-আ-ক-খ-ই জনা হোৱা নাই। আমি ২০০৪ চনৰ পৰা বিধায়ক হৈছো। আৰেগৰ ওপৰত ৰাজনীতি বৰ্তি নাথাকে। অসমত কেইবাটাও আৰেগৰ ওপৰত হোৱা দল আছে। আৰেগৰ ওপৰত হোৱা দল হৈছে সাগৰৰ ওপৰৰ ঢৌ। সাগৰৰ ওপৰৰ ঢৌ দেখিবলৈ সুন্দৰ। নিমিষতে আহে যেনেকৈ নিমিষতে মাৰো যায়। লুৰীণজ্যোতি গগৈক বিজেপিলৈ আহিলে আদৰণি জনাম বুলি উল্লেখ কৰি মন্ত্ৰী দাসে কয় যে লুৰীণেই নহয়, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধীয়েও বিজেপিলৈ আহিলেও ল'ব লাগিব। আমি কেৱল বিজেপি কৰি থাকিলে নহ'ব। আনকো বিজেপি কৰাৰ সুযোগ দিব লাগিব। বিদেপিৰ ৬ জন বিধায়কৰে চৰকাৰ নহ'লহেতেন, হিমন্ত বিশ্ব শৰ্মাক অনা বাবে চৰকাৰ হৈছে। লগতে বঙাইগাঁৱত ৩০ হাজাৰ ভোটৰ ব্যৱধানত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হ'ব বুলি দাবী কৰিছে মন্ত্ৰীগৰাকীয়ে। ইয়াৰ প্ৰত্যুত্তৰ লুৰীণে কি দিয়ে সেয়া হ'ব লক্ষণীয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জয়ন্তক লৈ মৌনব্ৰত মানৱৰ

দৰেই অসমৰ ৰাজনীতিত দপদপাই আছে। আজিও দাদা ব্ৰিগেডৰ সেনাপতি হৈ আছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। সুবিধা পালেই অসমৰ সাংবাদিকক নীতি শিক্ষা দিয়ে দাদা ব্ৰিগেডে। বহুবল্কী নেতা ৰূপে প্ৰথম পৰিচয় দাদা ব্ৰিগেডৰ। সাংবাদিক কেমেৰা আৰু মাইক দেখিলেই দাদা ব্ৰিগেডৰ সদস্যসকলে অসম, ভাৰত নাইবা বিশ্বৰ সকলো বিষয়ক লৈ কথা ক'বলৈ সাজু থাকে। মন্তব্যৰ মাজত ইতিকিং, ঠাট্টা-মস্কৰা কথা থাকিবই। কিন্তু এইবাৰো তাকেই কৰিলে দাদা ব্ৰিগেডৰ সদস্য বিধায়ক মানৱ ডেকাই। আজি বিহালীত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি বিজেপি বিধায়ক মানৱ ডেকাই সাংবাদিকক নীতিশিক্ষা দিয়ে। আজি সাংবাদিকে বিহালী সমষ্টিৰ ফলাফল যোৰহাটৰ দৰে হ'ব নেকি বুলি প্ৰশ্ন কৰিছিল মানৱ ডেকাক। কিন্তু এই প্ৰশ্ন শুনি খঙত টিঙিৰি তুলা হৈ মানৱ ডেকাই প্ৰত্যুত্তৰত কয় যে সেইটো মোক কিয় সুধিছে? উপ-নিৰ্বাচনৰ বিহালীৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰা সন্দৰ্ভত বিধায়ক মানৱ ডেকাক সোধা প্ৰশ্ন সন্দৰ্ভত মৌনব্ৰত পালন কৰি কয় যে মই টিভি-চিভি নাচাওঁ। মই একো নকওঁ। প্ৰাৰ্থীজন প্ৰকৃত কংগ্ৰেছী নহয়। প্ৰশ্ন কৰা সাংবাদিকক নীতি শিক্ষা দি কয় আপুনি কিয় ঘূৰি ফুৰিছে? আপুনি কিয় গাঁৱে-ভুঞে কেমেৰাটো লৈ ঘূৰি আছে? কাৰণ আপুনি সাংবাদিক, খবৰ দিয়াটো আপোনাৰ দায়িত্ব। আপুনিতো ঘৰত শুই থকা নাই। মই ৰাজনৈতিক ব্যক্তি। ইলেকচনত কেম্পেইন কৰাতো মোৰ দায়িত্ব, সেইবাবে ঘূৰি আছো। শংকিত অশংকিত কথা নাই। উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা বিহালী সমষ্টিত লখিমপুৰৰ বিধায়কজনে বিহালীৰ সাংবাদিকক এনেদৰে নীতি শিক্ষা দিয়াত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কি কাৰণে বিধায়কজনে পোনপটীয়াকৈ জয়ন্ত বৰাক আক্ৰমণ কৰা নাই সেই লৈ চৰ্চা চলিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# জামাদাৰী প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ ৱাল পেইনটিং অনুষ্ঠান

**ই-সংবাদ, লাহৰীঘাট, ২৯ অক্টোবৰঃ** মৰিগাঁও জিলাৰ ভুৰাগাঁও ৰাজহ চক্ৰৰ অধীনস্থ গেৰুৱা অঞ্চলৰ অতি ভিতৰুৱা আৰু পিছপৰা জামাদাৰী গাঁওবাসীয়ে এইবেলি অতি উলহ-মালহেৰে উদযাপনৰ প্ৰস্তুতি চলাইছে গাঁওখনৰ একমাত্ৰ শিক্ষানুষ্ঠান প্ৰাথমিক বিদ্যালয়খনৰ মহাৰজত জয়ন্তী অনুষ্ঠান। এই উপলক্ষে আজি বিদ্যালয়খনত আমন্ত্ৰিত নগাঁও আৰু মৰিগাঁও জিলাৰ কেইবাগৰাকী চিত্ৰশিল্পীৰ দ্বাৰা ৱাল পেইনটিং কাৰ্যসূচী এটি ৰূপায়ণ কৰা হয়। ইফালে মহাৰজত জয়ন্তীৰ উপলক্ষে গাঁওবাসীৰ মাজত এক উথপথপ পৰিৱেশৰ সৃষ্টি হৈছে। উল্লেখ্য যে জামাদাৰী প্ৰাথমিক বিদ্যালয়খনে এইবেলি ৭৫ বৰ্ষত উপনীত হৈছে। এখন চৰকাৰী বিদ্যালয় হ'লেও গাঁৱৰ পূৰ্বপুৰুষসকলে বহু কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি নিৰ্মাণ কৰি থৈ যোৱা বিদ্যালয়খনৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে গাঁওবাসীয়ে নিজা খৰচত মহাৰজত জয়ন্তী অনুষ্ঠিনটি উদযাপনৰ আয়োজন কৰিছে। অহা ৯ আৰু ১০ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা মহান অনুষ্ঠানটিৰ লগত সংগতি ৰাখি আজি বিদ্যালয়খনৰ চৌহদৰ দেৱালত দিনজোৰাকৈ ৱাল পেইনটিং কাৰ্যসূচী এটি অনুষ্ঠিত হয়। প্ৰয়াত শিক্ষক মতিৰাম বৰদলৈৰ সোঁৱৰণত তেওঁৰ নাতিনী ভাৰ্ষিকা (কুকি) হুকাইয়ে এই ৱাল পেইনটিং অনুষ্ঠানটি বিদ্যালয়খনলৈ আগবঢ়ায়। চিত্ৰশিল্পী নগেন হাজৰিকাৰ নেতৃত্বত এই ৱাল পেইনটিং কাৰ্যসূচীত নগাঁও আৰু মৰিগাঁও জিলাৰ চিত্ৰশিল্পী ক্ৰমে ভৰেন নাথ, পৱন বৰা, দুলন নাথ, শৈলেন মল্লিক, সঞ্জু নাথ, সুৰুয ডেকা আৰু জ্যোতি বিকাশ দাসে অংশগ্ৰহণ কৰে। উল্লেখ্য যে মহাৰজত জয়ন্তীৰ উপলক্ষে গাঁওবাসীৰ উদ্যোগত মহাৰজত জয়ন্তী উদযাপন সমিতিৰ বিষয়ববীয়া আৰু বিদ্যালয়খনৰ শিক্ষকসকলে সমগ্ৰ বিদ্যালয়খন ন ৰূপেৰে সজাই আটকধুনীয়া কৰি তুলিছে।




ভাষা গৌৰৱ সপ্তাহ বিষয়ক এক বিশেষ বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা

## ইউপিপিএল দলৰ প্ৰাৰ্থীৰ হৈ কোকৰাঝাৰ জিলাৰ তিনি স্থানত প্ৰচাৰ

# চিদলীৰ উপ নিৰ্বাচনক লৈ এনডিএৰ জোৰদাৰ প্ৰচাৰ অভিযান

**ই-সংবাদ, কোকৰাঝাৰ, ২৯ অক্টোবৰঃ** চিদলী সমষ্টিৰ উপ-নিৰ্বাচনকলৈ এনডিএ সমৰ্থিত প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মক বিপুল ভোটত জয়ী কৰিবলৈ সমষ্টিৰ অন্তৰ্গত গাঁৱে-ভুঞে ব্যাপক নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে ইউপিপিএল দল। এই উপলক্ষে আজি চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত কোকৰাঝাৰ জিলাৰ ছালাকাটিৰ পুঠিয়াগাও, আনন্দবজাৰ আৰু ঢোলমাৰা অঞ্চলত প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সমৰ্থনত প্ৰচাৰত নামি পৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বিধায়ক লৰেঞ্চ ইছলাৰীয়ে। কোকৰাঝাৰ জিলাৰ তিনিটা স্থানত আজি নিৰ্বাচনী প্ৰচাৰত নামি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই সাংবাদিকৰ আগত চিদলীৰ উপ নিৰ্বাচনকলৈ চিন্তাৰ কোনো প্ৰয়োজন নাই বুলি মন্তব্য কৰে। তেওঁ কয় চিদলীৰ উপ-নিৰ্বাচনকলৈ কোনোৰে শক্তি প্ৰদৰ্শন কৰিব অহা নাই । কিয়নো কোনো দলে ইউপিপিএলৰ প্ৰাৰ্থী গৰাকীক পৰাজিত কৰাৰ লক্ষ্য লৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা নাই। তেওঁলোক জিকাৰ অংকৰে নহয়, নিজ নিজ দলৰ স্থিতি অক্ষুণ্ণ ৰাখিবলৈহে প্ৰাৰ্থীত্ব আগবঢ়াইছে। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই দাবী কৰা অনুসৰি চিদলী সমষ্টিত ইউপিপিএল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মই প্ৰায় এক লাখ ভোটৰ ব্যৱধানত জিকিব। দিল্লী, দিছপুৰ আৰু বিটিআৰত শাসকীয় মিত্ৰজোঁটৰ চৰকাৰ চলি আহিছে, সেয়ে ভোটাৰ ৰাইজে কাক ভোট দিব লাগে ভালদৰে জানে। ভোটাৰ ৰাইজ বিৰোধীক ভোট দি ভুল নকৰে। গতিকে সমাগত চিদলীৰ উপ নিৰ্বাচনত মিত্ৰজোটৰ প্ৰাৰ্থীয়ে বিপুল ভোটত জিকিব বুলি দৃঢ়তাৰে দাবী কৰে মন্ত্ৰী ব্ৰহ্মই। চিদলীৰ উপ নিৰ্বাচনকলৈ বিপিএফ দলে প্ৰমোদ বড়ো হাটাও, বিটিচি বাচাও শ্লোগান দি নিৰ্বাচনী প্ৰচাৰ চলোৱা প্ৰশংগতো মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কটাক্ষ কৰি কয়-এইটো ক'ত আৰু বিটিচিৰ নিৰ্বাচন। বিধানসভা সমষ্টি চিদলীৰ উপ-নিৰ্বাচনহে। গতিকে বিপিএফ দলে নিৰ্বাচনত বহুতবাৰ হাৰি গলেও বাৰে বাৰে নিৰ্বাচনত অংশগ্ৰহণ কৰিছে আৰু ইয়াৰ বাবে হাগ্ৰামা মহিলাৰীৰ মনোবলক প্ৰশংসা কৰিবই লাগিব বুলি কয় মন্ত্ৰী ব্ৰহ্মই উল্লেখ কৰে। ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ বিজেপি দলে যি ৰণকৌশল অৱলম্বন কৰিছে তাৰ বাবে পাঁচখন আসনে এনডিএৰ পক্ষত থাকিব বুলি আশা ব্যক্ত কৰিছে মন্ত্ৰী ব্ৰহ্মই। ইপিনে কোকৰাঝাৰ সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়েও আজি এনডিএৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সপক্ষে তিনিটা স্থানত জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ চলায়। কোকৰাঝাৰ জিলাত চিদলী সমষ্টিৰ ৩৬ হেজাৰ ভোটাৰ থকা বুলি মন্তব্য কৰি তেওঁ কয় যে চিদলীৰ উপ-নিৰ্বাচনৰ পৰিৱেশ বহুত ভাল আৰু ইয়াধ বিৰোধীৰ কোনো ধৰণৰ প্ৰচাৰ নাই। এইক্ষেত্ৰত চিদলীৰ উপ নিৰ্বাচনত ইউপিপিএলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মই ৮০ হেজাৰ ভোটৰ ব্যৱধানত জিকি যোৱাটো নিশ্চিত বুলি মন্তব্য কৰিছে লৰেঞ্চ ইছলাৰীয়ে। ইপিনে এনডিএৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মই নিজৰ সমৰ্থনত প্ৰচাৰ চলাই চিদলী সমষ্টিত জয়ী হলে লাঙ্কাৰ চম্পাৱতী আৰু কানামাক্ৰা নৈ'ৰ ওপৰত দলং নিৰ্মাণকে ধৰি ৰাইজৰ উন্নয়নৰ হকে কাম কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। আজি কোকৰাঝাৰ জিলাত নিৰ্বাচনী প্ৰচাৰত ইউপিপিএলৰ কাৰ্যবাহী সদস্য উকীল মুছাহাৰী,অগপ দলৰ উপ সভাপতি কৰ্ণ মোহন ৰায়, বিজেপি মণ্ডল সভাপতি ফৈলাও বৰগয়াৰী,নিৰ্বাচনী কৰ্ণধাৰ সমিতিৰ মুখ্য আহ্বায়ক বিশ্বজিৎ বৰ্মণকে ধৰি বহু নেতা-কৰ্মী উপস্থিত আছিল।

# মৰিগাঁৱত কংগ্ৰেছৰ অভিযান, মহিলা সৱলীকৰণৰ উদ্দেশ্যে শক্তি ক্লাব গঠন আৰম্ভ

**ই-সংবাদ, মৰিগাঁও, ২৯ অক্টোবৰঃ** মহিলাসকলক সামাজিক, ৰাজনৈতিক আৰু শৈক্ষিক দিশত সৱলীকৰণৰ উদ্দেশ্যে ভাৰতীয় জাতীয় কংগ্ৰেছৰ আহ্বান মৰ্মে মৰিগাঁও জিলা কংগ্ৰেছে জিলাখনত আৰম্ভ কৰিছে এক শক্তি অভিযান। কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ পৰিকল্পনাত গঠিত ইন্দিৰা ফেল'ই মৰিগাঁও জিলাৰ গাঁৱে-ভুঞে, চহৰে-নগৰে এক শক্তি অভিযান আৰম্ভ কৰি মহিলা সৱলীকৰণৰ উদ্দেশ্যে এলানি শক্তি ক্লাব গঠন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই শক্তি অভিযান সম্পৰ্কত ইন্দিৰা ফেলশ্বিপৰ উদ্যোক্তাসকলে আজি মৰিগাঁও জিলা কংগ্ৰেছৰ কাৰ্যালয় ক্ষীৰোদ ভৱনত এখন সংবাদমেল অনুষ্ঠিত কৰে। এই সংবাদমেলত ইন্দিৰা ফেল' তথা মৰিগাঁও জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী চেহনাজ খানমে কয় যে ২০২৩ চনৰ পৰাই ইন্দিৰা ফেল'ই অসমত মহিলা সৱলীকৰণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে। এখন সুস্থ আৰু সংস্কাৰ বাতাৱৰণৰ সমাজ গঢ়াত মহিলাসকলৰ অৱদান অপৰিসীম। সেয়ে মহিলাসকলক সামাজিক, ৰাজনৈতিক, শৈক্ষিক আদি সকলো দিশত উপযুক্ত কৰি



তোলাৰ বাবে মৰিগাঁৱৰ শক্তি ক্লাবসমূহে মাৰাথান প্ৰচেষ্টা আৰম্ভ কৰিছে। ইন্দিৰা ফেল'শ্বিপৰ শক্তি অভিযানত অংশীদাৰ হ'ব বিচৰা মহিলাসকলক ৮৮৬০৭১২৩৪৫ নম্বৰত মিছ কল দি অন্তৰ্ভুক্ত হ'বলৈ তেওঁ জিলাখনৰ সকলো স্তৰৰ মহিলাৰ প্ৰতি আহ্বান জনায়। আজিৰ এই সংবাদমেলত মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি ৰমেশ বৰদলৈ, মিডিয়া কোষৰ সমন্বয়ক সীমান্ত হাজৰিকা, ইন্দিৰা ফেল' চেহনাজ খানম, ৰেখা দেৱী, শক্তি অভিযানৰ নিষ্ঠাৱান কৰ্মী মাছুমা চিদ্দিকা, ৰশ্মিৰেখা সিংহ প্ৰমুখ্যে বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে।

# সেউজ দীপাৱলী উৎসৱ উদযাপনৰ আহ্বান অৰণ্য সুৰক্ষা সমিতিৰ

**ই-সংবাদ, পুৰণিগুদাম, ২৯ অক্টোবৰঃ** শ্ৰীশ্ৰী কালীপূজা আৰু পোহৰৰ উৎসৱ দীপাৱলীৰ বাবে মাটিৰ চাকি বনোৱাত ব্যস্ত হৈ পৰা ৰাজ্যৰ মৃৎশিল্পীসকল, দীপান্বিতা তথা কালীপূজা উৎসৱ উদযাপন সমিতিসমূহৰ লগতে ভক্তপ্ৰাণ ৰাইজলৈ অৰণ্য সুৰক্ষা সমিতি, অসমৰ নগাঁও জিলা সমিতিৰ তৰফৰ পৰা শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ফটকা-ফুলজাৰিৰ ব্যৱহাৰ ৰোধ কৰি বায়ু প্ৰদূষণ আৰু প্ৰবল শব্দ প্ৰদূষণ নিয়ন্ত্ৰণত গুৰুত্ব আৰোপ কৰিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে আহ্বান জনোৱা হৈছে। নগাঁও জিলা অৰণ্য সুৰক্ষা সমিতিৰ সভাপতি, সম্পাদক ক্ৰমে হিৰণ্য কুমাৰ চমুৱা আৰু নীলৰঞ্জন শৰ্মাই বাতৰি কাকতলৈ প্ৰেৰণ কৰা এখন প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে যে, তৰিৎ গতিত সংঘটিত হোৱা বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি আৰু জলবায়ু পৰিৱৰ্তন ৰোধৰ স্বাৰ্থত কাম কৰা তথা পক্ষী কলৰৱেৰে মুখৰিত শৰতকালৰ বিনন্দীয়া সেউজ সুন্দৰ পৰিৱেশ অক্ষুণ্ণ ৰখাৰ লগতে জীৱ-জন্তুসমূহক ভয়-ভীতহীন মুক্ত বিচৰণৰ বাবে সুবিধা প্ৰদান কৰাটো প্ৰতিগৰাকী সচেতন নাগৰিকৰ দায়িত্ব। উল্লেখ্য যে, দেশী-বিদেশী কোম্পানীবোৰৰ দ্বাৰা নিৰ্মিত আৰু দেশীয় বজাৰত উপলব্ধ বিভিন্ন প্ৰকাৰৰ ফটকা, বোমাৰ অবাধ ব্যৱহাৰে এইসমূহ প্ৰদূষণৰ সৃষ্টি কৰাৰ লগতে জীৱকুলৰ প্ৰতি ভয়াৱহ নেতিবাচক প্ৰভাৱ পেলাই আহিছে।




## জাতীয় ঐক্য আৰু সততাক প্ৰসাৰিত কৰাৰ লক্ষ্য

# মৰিগাঁৱত ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন

**ই-সংবাদ, লাহৰীঘাট, ২৯ অক্টোবৰঃ** চৰ্দাৰ বল্লভভাই পেটেলৰ জয়ন্তী উপলক্ষে আৰু ৰাষ্ট্ৰীয় একতা দিৱস উদযাপনৰ বাবে আজি মৰিগাঁৱৰ ক্ষীৰুদ বৰুৱা ষ্টেডিয়ামত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। জাতীয় ঐক্য আৰু সততাক প্ৰসাৰিত কৰাৰ লক্ষ্যৰে অনুষ্ঠিত কৰা এই অনুষ্ঠানত চৰকাৰী বিষয়া, কৰ্মচাৰী আৰু স্থানীয় নাগৰিক উপস্থিত থাকে। উদযাপনৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় ঐক্যৰ প্ৰতিজ্ঞা লোৱা হয়। ইয়াৰ পিছত সংহতি আৰু সামূহিক শক্তিৰ প্ৰতীক "সংহতিৰ বাবে দৌৰ" অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত ডঃ সংগীতা বৰঠাকুৰ, প্ৰাঞ্জল বৰুৱা, বিমান দাস আৰু জিলা ক্ৰীড়া বিষয়াকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ভাষণত জিলা আয়ুক্তগৰাকীয়ে চৰ্দাৰ বল্লভভাই পেটেলৰ চিৰস্থায়ী উত্তৰাধিকাৰৰ ওপৰত আলোকপাত কৰি স্বাধীনতাৰ পিছৰ জাতিটোক একত্ৰিত কৰাৰ ক্ষেত্ৰত তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে কয়।

# হয়গ্ৰীৱ মাধৱ মন্দিৰত সুলভ মূল্যত মিঠাতেল বিক্ৰী

**ই-সংবাদ, হাজো, ২৯ অক্টোবৰঃ** সমাগত পোহৰৰ উৎসৱ দীপাৱলী। দীপাৱলী উপলক্ষে উখল-মাখল ৰাজ্য। ভিন্নৰঙী আতচবাজি আৰু থলুৱা মাটিৰ চাকিৰে ভৰি পৰিছে দীপাৱলীৰ বজাৰ। কিন্তু তাৰ মাজতে সৰ্বসাধাৰণৰ নিত্য ব্যৱহাৰ্য সা-সামগ্ৰীৰ অত্যাধিক মূল্যই ৰাইজক মাধমাৰ শোধাইছে। বজাৰত এতিয়া প্ৰতি লিটাৰ মিঠাতেলৰ দাম দুশ টকা হৈছে। দীপাৱলীত ঘৰৰ পদূলি মুখত চাকি জ্বলাবলৈ এতিয়া চিন্তা কৰিবলগীয়াত পৰিছে সাধাৰণ তথা মধ্যবিত্ত শ্ৰেণীৰ পৰিয়াল। কিন্তু ইয়াৰ মাজতে হাজোৰ ৰাইজক সকাহ দিবলৈ তীৰ্থ নগৰী হাজোৰ শ্ৰীশ্ৰী হয়গ্ৰীৱ মাধৱ মন্দিৰত দেখা গ'ল ব্যতিক্ৰমী দৃশ্য। দীপাৱলী উপলক্ষে হয়গ্ৰীৱ মাধৱ মন্দিৰত ৰেহাই মূল্যত মিঠাতেল বিক্ৰীৰ বাবে মন্দিৰ পৰিচালনা সমিতিয়ে এক সুব্যৱস্থা গ্ৰহণ কৰে। প্ৰতি বছৰৰ দৰে এইবেলিও হয়গ্ৰীৱ মাধৱ মন্দিৰত হাজো আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজৰ বাবে মিঠাতেল ৰেহাই মূলত বিক্ৰী কৰি ৰাইজক কিছু পৰিমাণে সকাহ দিয়া পৰিলক্ষিত হৈছে। কম মূল্যৰ তেলেৰে দেৱালীৰ নিশা ভক্তসকলে যাতে পদূলিমুখ পোহৰাই তুলিব পাৰে তাৰ বাবে ৰেহাই মূল্যত প্ৰতি বছৰে দেৱালীৰ পূৰ্বে বিতৰণ কৰা হয় মাধৱ মন্দিৰৰ অতিৰিক্ত তেল। উল্লেখ্য যে মাধৱ মন্দিৰৰ তেলেৰে নিজৰ পদূলিত এগছি চাকি জ্বলাই দিলে ঘৰখনৰ অপায়-অমংগল দূৰ হয় বুলি সৰোগত কৰিয়ে আজি তেল নিবলৈ ৰাইজৰ অভুতপূৰ্ব সমাগম হোৱা পৰিলক্ষিত হয়।

## নিদ্ৰা হৰণ কৰিছে গঞ্জাৰ, আশ্ৰয় লৈছে ৰাজপথত

# মাজুলীৰ দক্ষিণপাট, অফলামুখত বন্যহস্তীৰ তাণ্ডৱ

**ই-সংবাদ, মাজুলী, ২৯ অক্টোবৰঃ** বন্যহস্তীৰ এটা জাকে মাজুলীৰ দক্ষিণপাট, অফলামুখ ঘাটৰ সমীপৰ অঞ্চলত আতংকৰ সৃষ্টি কৰিছে। শতাধিক হাতীৰ জাকটোৱে উক্ত অঞ্চলৰ লোকসকলৰ খেতি খাই তহিলং কৰিছে। যোৱা কেইদিনমান ধৰি উপদ্ৰৱ চলাই থকা জাকটোৱে দক্ষিণপাট অঞ্চলত অৱস্থান কৰি নিশা দক্ষিণপাট, কৈৱত্য গাঁও আদিত প্ৰৱেশ কৰি বাওঁ ধান, শালি ধানৰ গেৰ ধৰা কৃষিসমূহ খাই, গছকি তহিলং কৰে। লগতে হাতীৰ জাকটোৱে জাতিলাও, ৰঙালাও ধনীয়াকে আদি কৰি ৰবি শস্যৰ খেতিসমূহ গছকি মোহাৰি অনিষ্ট কৰাৰ লগতে লাও, জিকাৰ হেঙেলিসমূহ ভাঙি পেলায়। নিশা হ'লেই এতিয়া অঞ্চলটোৰ লোকসকল আতংকিত হৈ পৰে। যোৱা নিশা লোকসকলে ঘৰ এৰি কেঁচুৱাসহ ৰাজপথতে আশ্ৰয় লয়। বন বিভাগে গুলী ফুটাই হাতীৰ জাকটোক জনাঞ্চলৰ পৰা খেদি পঠাবলৈ চেষ্টা কৰিছে যদিও সফল হোৱা নাই। ৰাইজেও প্ৰাণৰ মমতাত জুই জ্বলাই, টিন বজাই হাতীৰ জাকটোক খেদি পঠোৱাৰ চেষ্টা কৰিছে। এতিয়া উজাগৰী নিশা পাৰ কৰিছে গঞ্জাই। বন বিভাগৰ লোকে হাতীৰ জাকটোক খেদি পঠোৱাৰ চেষ্টা কৰিছে যদিও মাজুলীত পৰ্যাপ্ত বনকৰ্মী নথকাৰ বাবে সফল হ'ব পৰা নাই। স্থানীয় ৰাইজে জনোৱা মতে, দিনৰ ভাগত বৃহৎ হাতীৰ জাকটোৱে ব্ৰহ্মপুত্ৰৰ চাপৰিত আশ্ৰয় লয় আৰু নিশা হ'লেই উক্ত অঞ্চলবিলাকত উপদ্ৰৱ চলায়।

## বংগমূলীয় লোকৰ অবাধ আগমনক লৈ শংকা

# মৰিগাঁৱৰ জালুগুটিত সংকটৰ দিশে গতি খিলঞ্জীয়া

**ই-সংবাদ, মৰিগাঁও, ২৯ অক্টোবৰঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা ৰাজহচক্ৰৰ অন্তৰ্গত জালুগুটি, টকুনাবড়ী, সৰুচকাবহা, বৰামাৰি, মাজৰবড়ীকে ধৰি বিভিন্ন ৰাজহ গাঁৱত ধাৰাবাহিকভাৱে হৈ থকা বংগমূলীয় লোকৰ আগমণত ক্ৰমে অস্তিত্বৰ সংকটৰ দিশে গতি কৰিছে অঞ্চলটোৰ খিলঞ্জীয়া লোকসকল। উত্থাপিত অভিযোগ অনুসৰি, খিলঞ্জীয়া লোকৰ আৱাসভূমি উক্ত গাঁওসমূহত কেতবোৰ মাটিৰ দালালৰ জৰিয়তে বহু সংখ্যক বংগমূলীয় লোকে মাটি কিনি বসতি আৰম্ভ কৰিছে। একাংশ দালালে স্থানীয় লোকৰ আৰ্থিক দুৰ্বলতাৰ সুযোগ লৈ মাটি ক্ৰয় কৰি মধ্যভোগী দালালৰ ভূমিকা গ্ৰহণ কৰি বংগমূলীয় লোকসকলক অধিক দৰত উক্ত ভূমিসমূহ গতাই দি আহিছে। এনেদৰে উক্ত অঞ্চলসমূহত বসতি কৰিবলৈ লোৱা লোকসকলে এখন এখনকৈ ইতিমধ্যে বহুকেইখন গাঁও নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰিছে। প্ৰব্ৰজনকাৰী লোকসকলৰ এনে কাৰ্যৰ ফলত অঞ্চলটোৰ খিলঞ্জীয়া লোকসকল শংকিত হৈ পৰিছে। অস্তিত্বৰ সংকটত ত্ৰাসিমধুসুধন সোঁৰৰা খিলঞ্জীয়া লোকসকলৰ সুৰক্ষাৰ স্বাৰ্থত বিহীত ব্যৱস্থা ল'বলৈ আহ্বান জনাই স্থানীয় ৰাইজে জিলা আয়ুক্ত আৰু বিধায়কক স্মাৰক পত্ৰ প্ৰদান কৰিছে। ইয়াৰ লগতে উক্ত বংগমূলীয় লোকসকলৰ নাগৰিকত্বক লৈয়ো সন্দিহান স্থানীয় ৰাইজে এই লোকসকলৰ নাগৰিকত্ব পুংখানুপুংখভাৱে পৰীক্ষা কৰাৰো দাবী জনাইছে। উল্লেখ্য যে, টকুনাবড়ী-বৰামাৰা কিছামৰ বাওঁতলী পথাৰ আৰু মাজৰবড়ী-জালুগুটি কিচামৰ অন্তৰ্ভুক্ত খেতি-মাটিত বহু সংখ্যক বংগীয়মূলৰ(মিঞা) লোকে বাসগৃহ নিৰ্মাম কৰাৰ উপৰি টকুনাবড়ী গাঁৱতো এই লোকসকলে বৃহৎ পৰিমাণৰ ভূমি ক্ৰয় কৰাত উক্ত গাঁওখনত বসবাস কৰা খিলঞ্জীয়া লোকসকল আতংকিত হৈ এই সমস্যাৰ সমাধানাৰ্থে বিগত সময়ত অনুষ্ঠিত কৰিছিল এখনি গণ সভাৰ। এই সভাৰ সিদ্ধান্ত মৰ্মে অনাগত দিনত পুনৰ যাতে উপৰিক্ত এলেকাত গাঁৱৰ স্থায়ী বাসিন্দাৰ বাহিৰে অন্য কোনো লোকে মাটি কিনা-বেচা আৰু বসবাস কৰিব নোৱাৰে, তাৰ বাবে বিহীত ব্যৱস্থা ল'বলৈ মিকিৰভেটা ৰাজহ চক্ৰ বিষয়াক এক আবেদন পত্ৰ দিয়া হয়। আচয্যজনকভাৱে পৰৱৰ্তী সময়ত মাথোঁ ৰাজহ চক্ৰ বিষয়াজন বদলি হোৱাৰ উজুহাততে উক্ত ৰাজহুৱা আবেদনখন আজিও কাৰ্যালয়ৰ ফাইলতেই আবদ্ধ হৈ থাকিল। তাৰ ফলশ্ৰুতিত বৰ্তমানো একাংশ জাতিদ্ৰোহী দালালৰ উদ্যোগত উক্ত অঞ্চলসমূহলৈ বৰ্তমানো ধাৰাবাহিকভাৱে পূৰ্ববংগীয় লোকৰ আগমন ঘটিয়ে আছে। এনে সন্ধিক্ষণত ৰংদলৈ গাঁও আৰু মাজৰবড়ী গাঁৱৰ ৰাইজে জিলা আয়ুক্ত আৰু স্থানীয় বিধায়ক ৰমাকান্ত দেউৰীক স্মাৰক পত্ৰ প্ৰদান কৰি বিহীত ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। প্ৰধানকৈ অনুসূচীত জনজাতি লোকৰ বাসস্থান ৰংদলৈ গাঁওবাসী আৰু মাজৰবড়ী গাঁৱৰ খিলঞ্জীয়া মুছলমান লোকসকলে সমগ্ৰ মাটি পঞ্জীয়ন আৰু মাটি দালালি প্ৰক্ৰিয়া বন্ধ হোৱাৰ লগতে অসম আৰক্ষীৰ সীমান্ত শাখাৰ জৰিয়তে এনেকৈ গাঁও সৃষ্টি কৰা লোকসকলৰ নাগৰিকত্ব পুংখানুপুংখভাৱে পৰীক্ষা কৰিবলৈয়ো দাবী তুলিছে উক্ত স্মাৰক পত্ৰত। আনহাতে, এই স্পৰ্শকাতৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ বিধায়ক দেউৰীয়ে এইক্ষেত্ৰত জৰুৰীভাৱে ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী লৈ লিখিত অনুৰোধ প্ৰেৰণ কৰিছে।

# খুমটাইৰ ঐতিহাসিক ধোদৰ আলিত প্ৰতিবাদ

**ই-সংবাদ, খুমটাই, ২৯ অক্টোবৰঃ** খুমটাই সচেতন নাগৰিক মঞ্চৰ উদ্যোগত আজি খুমটাই ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যলয় প্ৰাংগণত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰা হয়। খুমটাই সমজিলা ঘোষণাৰ দাবীত, খুমটাই ৰাজহ চক্ৰ কাৰ্যালয় গোলাঘাট সদৰলৈ স্থানান্তৰকৰণৰ বিৰোধিতাৰে আজি ঐতিহাসিক ধোদৰ আলি অৱৰোধ কৰে হাজাৰ হাজাৰ জনতাই। সদৌ চাহ শ্ৰমিক মুক্তি সংগ্ৰাম সমিতি আৰু চাহ বাগিচা সংঘ, বৃহত্তৰ খুমটাই সচেতন নাগৰিক মঞ্চৰ উদ্যোগত আৰু খুমটাইবাসী ৰাইজৰ সহযোগত খুমটাই বিধানসভা সমষ্টিৰ উপ-জিলা সদৰ খুমটাইতেই স্থাপন কৰা আৰু খুমটাই ৰাজহ চক্ৰ কাৰ্যালয় খুমটাইতেই বাহাল ৰখাৰ দাবীত এই গণ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# আগমনি চক্ৰ কাৰ্যালয় বাহাল থকাৰ আশ্বাস

**ই-সংবাদ, গোলকগঞ্জ, ২৯ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ আগমনি ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তিকৰণ নহয় বুলি প্ৰাক্তন বিধায়ক তথা অসম প্ৰদেশ বিজেপিৰ অ'বিচি মৰ্চাৰ সভাপতি অশ্বিনী ৰায় সৰকাৰে আশ্বাস প্ৰদান কৰে। জানিব পৰা মতে, আগমনি ৰাজহ কাৰ্যালয়কে ধৰি ৰাজ্যৰ ৩৬ খন ৰাজহ কাৰ্যালয় বিলুপ্তি কৰণ কৰা হ'ব বুলি চৰকাৰৰ কেবিনেট বৈঠকে প্ৰস্তাৱ গ্ৰহণ কৰিছে। ইয়াৰ পিছতে ক্ষোভত ফাটি পৰে বৃহত্তৰ অঞ্চলটোৰ ৰাইজ। চৰকাৰী হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে ইতিমধ্যে ৰাজহ কাৰ্যালয় বাহাল দাবী সমিতি এখনো গঠন কৰা হৈছে। দাবী সমিতিয়ে আজি তিনি ঘণ্টীয়া ধৰ্মঘটৰ আয়োজন কৰে। ধৰ্মঘট কাৰ্যসূচীৰ উমান পাই সমষ্টিৰ প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰে কালি সন্ধিয়া আগমনিত এখন সংবাদমেলৰ আয়োজন কৰে। তেওঁ কয় যে, ইতিমধ্যে অভিভাৱক মন্ত্ৰীৰ লগত এই সন্দৰ্ভত আলোচনা কৰিছে। অভিভাৱক মন্ত্ৰীয়ে কৈছে কোনো কাৰণতে আগমনি ৰাজহ কাৰ্যালয় বিলুপ্তি নহয়। আনহাতে, আগমনি ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তিকৰণ তেওঁ নিজেও সমৰ্থন নকৰে বুলি স্পষ্ট কৰে। তেওঁ কয় যে ৰাজ্যৰ ৩৬ খন ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তিকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। কৰা হ'ব বুলি সিদ্ধান্ত লোৱা নাই।

## নীতিন গাডকাৰি আৰু অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ

# মাজুলী-যোৰহাট সংযোগী দলং শীঘ্ৰে নিৰ্মাণৰ দাবী আছুৰ

**ই-সংবাদ, মাজুলী, ২৯ অক্টোবৰঃ** সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ এটি প্ৰতিনিধি দলে মাজুলীৰ বিভিন্ন সমস্যাৰাজিৰ বিষয়ে আৰু সমাধানৰ ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যেৰে মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকেৰে আজি এক আলোচনাত মিলিত হয়। বিশেষকৈ মাজুলীত সমাগত ৰাস আৰু পালনাম উৎসৱ। এই পৰিপ্ৰেক্ষিতত বহু দিন ধৰি ব্ৰহ্মপুত্ৰত পানীৰ অভাৱত কমলাবাৰী ফেৰীঘাট বন্ধ হৈ আছে। যাৰ বাবে যাত্ৰীসকলে চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। ৰাস পালনামৰ আগত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি ফেৰীঘাটৰ যাতায়াত সুচল কৰিবলৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী উত্থাপন কৰে। অন্যহাতে, উজনি মাজুলী ৰাজহচক্ৰ বিষয়াৰ কাৰ্যালয় বন্ধ কৰাৰ এক বাতৰি প্ৰকাশ পাইছে। ইয়াৰ পূৰ্বে ছাত্ৰ সন্থাই আন্দোলন কাৰ্যসূচীও গ্ৰহণ কৰিছে। উজনি মাজুলীস্থিত ৰাজহচক্ৰ বিষয়াৰ কাৰ্যালয় যাতে বন্ধ নহয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আয়ুক্তগৰাকীক আহ্বান জনোৱাৰ লগতে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰও প্ৰেৰণ কৰে। আনফালে, মাজুলী-যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত পকী দলং নিৰ্মাণৰ কাম বহু দিন ধৰি বন্ধ হৈ আছে। মাজুলীবাসীৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি দলং নিৰ্মাণৰ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰি আৰু অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ জিলা আয়ুক্তৰ যোগেদি স্মাৰক পত্ৰ প্ৰেৰণ কৰে আছুৱে। এই আলোচনা কালত উপস্থিত থাকে জিলা আছুৰ উপদেষ্টা সূৰ্য কুমাৰ ভুঞা, পবিত্ৰ গোস্বামী, অজিত হাজৰিকা, আছুৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰংগৰস মহন্ত, জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখোৱা। বিষয়কেইটা সন্দৰ্ভত জিলা আয়ুক্তই প্ৰতিনিধি দলটোক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে।

# চাপৰ ৰাজহ চক্ৰৰ কাৰ্যালয় স্থানান্তৰ কৰাৰ বিৰুদ্ধে অব্যাহত প্ৰতিবাদ

**ই-সংবাদ, চাপৰ, ২৯ অক্টোবৰঃ** জননেতা শৰৎ চন্দ্ৰ সিংহৰ জন্মভূমি তথা ঐতিহাসিক চাপৰ নগৰৰ পৰা ৰাজহ চক্ৰ কাৰ্যালয়কে ধৰি বিভিন্ন কাৰ্যালয় চাপৰৰ পৰা স্থানন্তৰ কৰা বাতৰি লাভ কৰাৰ পিছত চাপৰত অব্যাহত আছে গণতান্ত্ৰিক আন্দোলন। উল্লেখ্য যে চৰকাৰে ৰাজ্যৰ ২৭ খন জিলাৰ ৩৬ খন ৰাজহ চক্ৰৰ বিষয়াৰ কাৰ্যালয় বিলুপ্তি কৰা প্ৰস্তাৱ গ্ৰহণৰ এক নিৰ্দেশনা পোৱাৰ পিছৰ পৰা ৰাজ্যজুৰি ক্ষোভৰ জুই জ্বলা পৰিলক্ষিত হৈছে। সমান্তৰালকৈ ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ কাৰ্যালয় বিলুপ্তি কৰা প্ৰস্তাৱৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে বৃহত্তৰ চাপৰবাসী ৰাইজ। ইতিমধ্যে চাপৰ ঐতিহ্য ৰক্ষা সংগ্ৰাম সমিতিয়ে স্মাৰক পত্ৰ প্ৰদান, বিক্ষোভ কাৰ্যসূচী, জোঁৰ সমদল বাহিৰ কৰাৰ পিছত মঙলবাৰ দিনা পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ উক্ত সিদ্ধান্তৰ বিৰোধিতাৰে বৃহত্তৰ চাপৰ অঞ্চল বন্ধৰ আহ্বান কৰে সংগঠনটোৱে। উক্ত কাৰ্যসূচীত চাপৰবাসী ৰাইজে ব্যাপক সঁহাৰি দিয়া পৰিলক্ষিত হয়। চাপৰ বজাৰ, ধীৰঘাট বজাৰ, বহলপুৰ, ফলিমাৰী, ৰঙামাটি, চৈবাৰীত সৰ্বাত্মক বন্ধ প্ৰভাৱ পৰে। সকলো দোকান, অনুষ্ঠান প্ৰতিষ্ঠান বন্ধ ৰাখে। ইয়াৰ উপৰি চাপৰৰ সকলো চৰকাৰী বেচৰকাৰী শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে স্বতঃস্ফূৰ্তভাৱে শ্ৰেণী কোঠা বৰ্জন কৰাত বিদ্যালয়সমূহ বন্ধ হৈ পৰে। চাপৰবাসী ৰাইজৰ দাবী যিহেতু চাপৰৰ পৰা বিলাসীপাৰাৰ দূৰত্ব প্ৰায় ৪০ কি:মি:, গতিকে চৰকাৰক সমজিলাৰ নামত চাপৰৰ ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তি নকৰি চাপৰতে বাহাল ৰাখিবলৈ দাবী জনায়।

# আগমনি ৰাজহ চক্ৰ কাৰ্যালয় বাহাল ৰখাৰ দাবীত তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট

**ই-সংবাদ, গোলকগঞ্জ, ২৯ অক্টোবৰঃ** ধুবুৰী জিলাৰ আগমনি ৰাজহ চক্ৰ কাৰ্যালয় বাহাল ৰখাৰ দাবীত আজি তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰা হয়। শেহতীয়াকৈ ৰাজহ মন্ত্ৰী যোগেন মহনে কেবিনেট বৈঠকৰ সিদ্ধান্ত মতে ৰাজ্যৰ ৩৬ খন ৰাজহ চক্ৰ কাৰ্যালয় বিলুপ্তিকৰণ কৰা হ'ব বুলি ঘোষণা কৰিছিল। উক্ত ঘোষণা মতে, আগমনি ৰাজহ চক্ৰ কাৰ্যালয়ো বিলুপ্ত হ'ব। অসম চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্তত ক্ষুণ্ণ হৈ পৰিছে আগমনি চক্ৰ এলেকাৰ বিভিন্ন দল-সংগঠনৰ লগতে সাধাৰণ ৰাইজ। আগমনি চক্ৰ কাৰ্যালয় অতি পুৰণি কাৰ্যালয়। কাৰ্যালয়টো ৯৮ খন ৰাজহ গাঁও সাঙুৰি আছে। আগমনি ৰাজহ চক্ৰ কাৰ্যালয়ৰ বিলুপ্তি হ'লে অতি পিছপৰা অঞ্চলটোৰ দৰিদ্ৰ ৰাইজ সাধাৰণ কামৰ বাবে যথেষ্ট ধন ব্যয় কৰি গোলকগঞ্জলৈ তাঁত-বাটি কৰিব লাগিব। চৰকাৰৰ এনে সিদ্ধান্তৰ বিৰুদ্ধে শুকুৰবাৰে আগমনি চিলাৰায় পাৰ্কত স্থানীয় আক্ৰাছু, আছু আৰু গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ যৌথ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত আগমনি ৰাজহ চক্ৰ কাৰ্যালয় বাহাল দাবী সমিতি এখন গঠন কৰা হয়। দাবী সমিতিৰ আহ্বানত আজি আগমনি ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰা হয়। ধৰ্মঘটত আছু, আক্ৰাছু, গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ লগতে কংগ্ৰেছ, অসম জাতীয় পৰিষদৰ নেতা কৰ্মীৰ লগতে স্থানীয় বহু সংখ্যক ৰাইজ উপস্থিত থাকে। প্ৰতিবাদকাৰীসকলে চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিবেশ উত্তাল কৰে।

## শিক্ষক কপিল উদ্দিনে কেৰেপ নকৰে চৰকাৰী নীতি-নির্দেশনা

# চাৰিংপথাৰত ভাৰাতীয়া শিক্ষকৰ হতুৱাই চলাইছে পাঠদান

**ই-সংবাদ, মোৰাঝাৰ, ২৯ অক্টোবৰঃ** সম্প্ৰতি হোজাই জিলাৰ লংকা শিক্ষাখণ্ডৰ এখন বিদ্যালয়ৰ এগৰাকী শিক্ষকৰ দম্ভালিয়ে ৰাজহুৱা শিক্ষাব্যৱস্থাৰ প্ৰকৃতস্বৰূপ উদঙাই তুলিছে। আনকি চূড়ান্ত বিদ্যায়তনিক অৰাজকতাই গ্ৰাস কৰিছে লংকা শিক্ষাখণ্ডত। একাংশ শিক্ষকৰ দৌৰাত্ম্যত প্ৰভাৱ পৰিছে ছাত্ৰ-ছাত্ৰীৰ জীৱনত। অভিযোগ অনুসৰি দীৰ্ঘদিনৰে পৰা লংকা শিক্ষাখণ্ডৰ অন্তৰ্গত চাৰিংপথাৰ এল পি স্কুলৰ সহকাৰী শিক্ষক কপিল উদ্দিনে চৰকাৰী নীতি-নির্দেশনাক কেৰেপ নকৰে। তেওঁ সময়মতে উপস্থিত নহয় বিদ্যালয়ত। ঘৰৰ পৰা মাত্ৰ দুশ মিটাৰ দূৰত্বত থকা বিদ্যালয়খনৰ সহকাৰী শিক্ষক কপিল উদ্দিনে বিদ্যালয়তখনত পুৱাই অনলাইনত উপস্থিতি দেখুৱাই নিজৰ ব্যক্তিগত কামত চৰকাৰী শিক্ষকগৰাকী ব্যস্ত হৈ থাকে। এইগৰাকী চৰকাৰী শিক্ষকে চৰকাৰী অৰ্ডাৰ ভৰিৰে মোহাৰি নিজকে শিক্ষা বিভাগৰ উঠি ৰজা বহি ৰজা বুলি দম্ভালি মাৰি থাকে চৰকাৰী আন কাৰ্যালয়ত। তেওঁ প্ৰধান শিক্ষকক নামানে, নামানে বিইইঅ'ক। উল্লেখ্যে যে নিজে বিদ্যালয়ত পাঠদান কৰাৰ পৰিবৰ্তে প্ৰায় এবছৰৰ পৰা নিযুক্তি দিছে পিন্টু দাস নামৰ এগৰাকী ভাৰাতীয়া শিক্ষকক। পিন্টুৰ পিতৃ শাসক দলৰ এগৰাকী নেতা হোৱাৰ সুবাদতে দম্ভালি মাৰে শিক্ষকগৰাকীয়ে। এনেদৰেই চলি আছে হোজাইৰ শিক্ষা বিভাগ। এইগৰাকী চৰকাৰী শিক্ষকে কাৰ আশীৰ্বাদত অবৈধভাৱে শিক্ষক নিযুক্তি দি চাকৰিৰ দৰমহা হজম কৰিব পাৰিছে বুলি ৰাইজে প্ৰশ্ন কৰিছে।এই সন্দৰ্ভত বিদ্যালয়খনৰ অভিভাৱক আৰু স্থানীয় ৰাইজে জিলা আয়ুক্ত আৰু লংকা শিক্ষা খণ্ডৰ বিষয়াক লিখিত অভিযোগ দাখিল কৰিছে। লংকা শিক্ষা খণ্ডৰ নতুন খণ্ড উন্নয়ন বিষয়া বাহাৰুল ইছলাম আৰু নতুন হোজাই জিলা আয়ুক্ত বিদুৎ বিকাশ ভাগৰতীয়ে এতিয়া এই ক্ষেত্ৰত কি ব্যৱস্থা লয় সেয়া লক্ষণীয় হ'ব।এই সন্দৰ্ভত বিদ্যালয়খনৰ অভিভাৱক আৰু স্থানীয় ৰাইজে জিলা আয়ুক্ত আৰু লংকা শিক্ষা খণ্ডৰ বিষয়াক লিখিত অভিযোগ দাখিল কৰিছে। লংকা শিক্ষা খণ্ডৰ নতুন খণ্ড উন্নয়ন বিষয়া বাহাৰুল ইছলাম আৰু নতুন হোজাই জিলা আয়ুক্ত বিদুৎ বিকাশ ভাগৰতীয়ে এতিয়া এই ক্ষেত্ৰত কি ব্যৱস্থা লয় সেয়া লক্ষণীয় হ'ব।

# বিটিআৰত উপ নিৰ্বাচনৰ ৰণশিঙা, শতাধিকৰ ইউপিপিএল দলত যোগদান

ই-সংবাদ, ডিমাকুছি, ২৯ অক্টোবৰঃ সমাগত বিটিআৰ নিৰ্বাচন। বিটিআৰৰ চৌদিশে এতিয়া ৰাজনীতিৰ কুজ-কাৰাজ আৰম্ভ হৈছে। বিটিআৰত এতিয়া প্ৰতিটো ৰাজনৈতিক দলতে যেন আৰম্ভ হৈছে যোগদান আৰু খহনীয়াৰ প্ৰতিযোগিতা। এফালে যদি বিজেপিৰ যোগদান কাৰ্যসূচী, আনফালে আকৌ তাৰ দুগুণ উৎসাহেৰে ইউপিপিএল দলৰ প্ৰান্তে-প্ৰান্তে যোগদান কাৰ্যসূচী। নিৰ্বাচনৰ পূৰ্বে বিটিআৰত ইউপিপিএলে বজাইছে ৰণশিঙা। নিৰ্বাচনত অকলেই যুঁজ দিবলৈ সাজু হৈ উঠি-পৰি লাগিছে ইউপিপিএল। বিজেপি, বিপিএফৰ অংকত আউল লগাই ২৫ ৰ নিৰ্বাচনক লৈ প্ৰমোদ বড়োৰে লৈ নতুন ৰণনীতি। মুখ্যমন্ত্ৰীয়ে বিটিআৰত অকলেই নিৰ্বাচনত নামিব বুলি ঘোষণা কৰাৰ পিছতেই উঠি-পৰি লাগিছে ইউপিপিএল দল অকলেই যুঁজত নামিবলৈ। দিনে-নিশাই একাকাৰ কৰি প্ৰতিদিনে ন-ন কৌশল অৱলম্বন কৰি পুনৰবাৰ বড়োভূমি দখল কৰাৰ চেষ্টা অব্যাহত ৰাখিছে শাসক গোষ্ঠীৰ ইউপিপিএল দলে। প্ৰতিটো মুহূৰ্ততে বিটিআৰৰ বিভিন্ন সমষ্টিত প্ৰান্তে-প্ৰান্তে শাসক গোষ্ঠীয়ে চলাইছে যোগদান কাৰ্যসূচী। বিটিআৰত ইউপিপিএলৰ ক্ৰমাগত উত্থানত শংকিত হৈ পৰিছে বিজেপি আৰু বিপিএফ। বিটিচিত যেন পুনৰ হাজাৰ হাজাৰ লোকৰ আস্থাৰ আন এক নাম হৈ পৰিছে প্ৰমোদ বড়ো! বিটিআৰৰ ৩২ নং ভেৰগাঁও পৰিষদীয় সমষ্টিৰ ডিমাকুছিত মঙলবাৰে বিভিন্ন দল-সংগঠনৰ পৰা শতাধিক লোকে ইউপিপিএল দলত যোগদান কৰে। যোগদান কাৰ্যসূচীত ইএম দাওবাইছা বড়োৰ দাবী বিটিআৰত কাৰ্যকাল সম্পূৰ্ণ নহওঁতেই ইউ পি পি এলৰ উন্নয়ন আৰু কাম-কাজত আকৃষ্ট হৈ পৰিছে বিটিআৰবাসী ৰাইজ। সকলোৱে আগবাঢ়ি আহিছে ইউপিপিএল দলত যোগদান কৰিবলৈ। বিটিআৰত বিজেপিৰ প্ৰতি মোহভংগ হৈ পৰিছে নেকি মিত্ৰজোঁট থকা ইউপিপিএল দল? বিজেপিৰ কাম-কাজৰ নমুনাই আমুৱাইছে নেকি সাধাৰণ জনতাক? বিটিআৰত হঠাৎ কিয় প্ৰমোদ বড়োৰ প্ৰতি ৰাইজৰ এই আস্থা? সম্প্ৰতি এনেবোৰ প্ৰশ্নই উত্থাপন হৈছে বিটিআৰত। সঘনাই বিপিএফ আৰু বিজেপিৰ পৰা বহুতো নেতা-কৰ্মীয়ে ইউপিপিএল দলত যোগদান কৰিছে। ইএম দাওবাইছা বড়োৰ উপস্থিতিত ৩২ নং ভেৰগাঁও পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ডিমাকুছি ভিচিডিচিত বিপিএফ আৰু বিজেপি দলৰ পৰা দল ত্যাগ কৰি শতাধিকৰো অধিক পুৰুষ-মহিলাই দলে-বলে ইউপিপিএল দলত যোগদান কৰাক লৈ আনন্দিত হৈ পৰিছে দলীয় কৰ্মীৰ উপৰি ইএম দাওবাইছা বড়ো। ডিমাকুছিত অনুষ্ঠিত যোগদান কাৰ্যসূচীৰ পিছতেই সকলোৰে মনত নতুন হেঁপাহ পুনৰবাৰ বিটিআৰত প্ৰমোদ



বড়োৰ চৰকাৰ আহিব! যোগদান কাৰ্যসূচীত উপস্থিত থাকি ইএম দাওবাইছা বড়োৰে কয় যে বিটিআৰত পুনৰবাৰ প্ৰমোদ বড়োৰ নেতৃত্বাধীন চৰকাৰ শাসনলৈ অহাতো নিশ্চিত। আনহাতে, আগন্তুক নিৰ্বাচনত অকলেই যুঁজ দিয়াটো নিশ্চিত কৰে ইএম দাওবাইছা বড়োৰে। আনকি তেওঁ সকলো দলীয় কৰ্মীকে এতিয়াৰ পৰাই নিৰ্বাচনলৈ সাজু হ'বলৈ নিৰ্দেশ দিয়ে। যোগদান সভাত ৰাইজৰ ব্যাপক সঁহাৰি দেখি দলীয় নেতা কৰ্মীসকলক উৎফুল্লিত হৈ পৰা দেখা গৈছে। ডিমাকুছিৰ যোগদান কাৰ্যসূচীত বিটিআৰৰ ইএম দাওবাইছা বড়োৰ উপৰি ভেৰগাঁও ব্লক ইউপিপিএল আৰু ডিমাকুছি ভিচিডিচিৰ দলীয় কৰ্মীসকল উপস্থিত থাকে।

# আন্তঃৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়াত অসমৰ দুই যুৱকৰ সাফল্য

**ই-সংবাদ, মিৰ্জা, ২৯ অক্টোবৰঃ** পঞ্জাবৰ গোবিন্দগড়ত যোৱা ২৪-২৭ অক্টোবৰত অনুষ্ঠিত পঞ্চম আন্তঃৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া কাপত অসম পুলিচত কৰ্মৰত দুই যুৱকে সাফল্য অৰ্জন কৰিছে। প্ৰতিযোগিতাখনৰ পৰম্পৰাগত যোগাসনত ২৪-২৮ বছৰ বয়সৰ পুৰুষৰ শাখাত জুবিন পাওৱে এটা ৰূপৰ পদক আৰু সোমনাথ পাৰাজুলীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে, ১৮-২৮ বছৰ বয়সৰ কলাত্মক একক শাখাত সোমনাথ পাৰাজুলীয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। কলাত্মক যোগাসন আৰু ছন্দময় যোৰ যোগাসনতো দুয়োগৰাকীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উক্ত পদক অৰ্জন কৰা সোমনাথ পাৰাজুলীৰ ঘৰ ধেমাজিত আৰু জুবিন পাওৰ ঘৰ তিনিচুকীয়াত। উল্লেখ্য যে এই সাফল্যৰ পাছত দুই যুৱকৰ প্ৰশিক্ষক অসীম বৰুৱা যথেষ্ট উৎফুল্লিত হৈছে আৰু আগলৈও তেওঁলোকে পদক অৰ্জন কৰি অসমক গৌৰৱান্বিত কৰিব বুলি আশা প্ৰকাশ কৰিছে।

# জাহ্নৱীক জনালে সম্বৰ্ধনা



**ই-সংবাদ, মৰিগাঁও, ২৯ অক্টোবৰঃ** থাইলেণ্ডত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় যোগ ক্ৰীড়া প্ৰতিযোগিতাত দুটাকৈ স্বৰ্ণ পদক অৰ্জন কৰা মৰিগাঁৰৰ কনমানি ছাত্ৰী জাহ্নৱী গোস্বামীক আজি মৰিগাঁৱত ৰাজহুৱা ভাবে সম্বৰ্দ্ধনা জনোৱা হয়। এই উদ্দেশ্যে মৰিগাঁও চহৰৰ পবিতৰা হাট প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মৰিগাঁও সন্ত থেৰেচা স্কুলৰ চতুৰ্থ মান শ্ৰেণীৰ ছাত্ৰী জাহ্নৱীক মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আনুষ্ঠানিক ভাবে সম্বৰ্দ্ধনা জনায়। ইয়াৰ উপৰিও এই অনুষ্ঠানত মৰিগাঁও জিলা ক্ৰীড়া সন্থাকে ধৰি বহুকেইটা অনুষ্ঠানে প্ৰতিভাবান জাহ্নৱীক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত মৰিগাঁও সন্ত থেৰেছা স্কুলৰ অধ্যক্ষ ফাদাৰ জচ মেথিউ, মৰিগাঁও জিলা সাংবাদিক সন্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, জিলা ক্ৰীড়া বিষয়া চন্দন তালুকদাৰ প্ৰমুখ্যে বহুকেইজন ব্যক্তি উপস্থিত থাকে।



নিউজিলেণ্ডৰ বিৰুদ্ধে তৃতীয় এদিনীয়াত শতক অৰ্জনৰ পিছত স্মৃতি মান্ধানা, আহমেদাবাদত মঙলবাৰে

## ডিৰাক সমন্বয় কাপ-২০২৪ ফুটবল প্ৰতিযোগিতা

# শদিয়াক হৰুৱাই দ্বিতীয় ৰাউণ্ডলৈ ২য় অসম আৰক্ষী

**ই-সংবাদ, কাকপথাৰ, ২৯ অক্টোবৰঃ** অসম-অৰুণাচল সীমান্তবৰ্তী তিনিচুকীয়া জিলাৰ কাকপথাৰ ১ নং সৰুডিৰাক ৰাজহুৱা খেলপথাৰত সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ, ডিৰাক আৰু কাকপথাৰ আঞ্চলিক সমিতিৰ উদ্যোগত ১ নং সৰু ডিৰাক যুৱ সংঘৰ সহযোগত মটক ৰাজবংশৰ শেষজন ৰাজ পেঞ্চনাৰ লংকেশ্বৰ গোহাঁই সোঁৱৰণী দ্বিতীয় বাৰ্ষিক "ডিৰাক সমন্বয় কাপ-২০২৪" ফুটবল প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ দ্বিতীয়খেলত আজি ২য় অসম আৰক্ষী বাহিনী, মাকুম আৰু শদিয়া এফ চি মাজত অনুষ্ঠিত হয়। ২য় অসম আৰক্ষী বাহিনী, মাকুমৰ হৈ খেলৰ দ্বিতীয়াৰ্দ্ধৰ ১৬ মিনিটত মহম্মদ আব্দুল বিলালে একমাত্ৰ গ'লটো দি দলক বিজয় সাব্যস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। বুধবাৰে খেল ডিৰাক এফ:চি: আৰু বাঘজান এফ চি মাজত অনুষ্ঠিত হ'ব।

# ৰামপদ-চাহৰুম সোঁৱৰণী ফুটবলৰ ছেমিত উকহাপাৰ এফএফ

**ই-সংবাদ ক্ৰীড়া, নগাঁও, ২৯ অক্টোবৰঃ** ৰূপহীৰ উকহাপাৰ এফএফ ক্লাব ফুটবল দলে নগাঁও জিলাৰ বৰভেটি ক্ৰীড়া সন্থাৰ উদ্যোগত বৰভেটি খেলপথাৰত স্থানীয় ক্ৰীড়াপ্ৰেমীৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাৰে চলি থকা ২৩ সংখ্যক ৰামপদ নাথ আৰু চাহৰুম আলী সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। এই প্ৰতিযোগিতাৰ মঙলবাৰে দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত উকহাপাৰ এফ এফ ক্লাবে জলময়গাঁও গণজ্যোতি নৱজীৱন সংঘ ফুটবল দলক ২-১ গ'লত পৰাজিত কৰে। খেলখনত উকহাপাৰ এফ এফ ক্লাব দলটোৰ হৈ ভুছলী বালাৰী আৰু জয়দেৱে ক্ৰমে গ'ল দুটা দিয়াৰ বিপৰীতে জলময়গাঁও গণজ্যোতি নৱজীৱন সংঘৰ হৈ ভৱেন পাটৰে একমাত্ৰ গ'লটো দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰাজীৱ তাঁতীক সহায় কৰে পৰাগ লস্কৰ, আইনুল হক আৰু আৰিফুল ইছলামে। বৰভেটি ক্ৰীড়া সন্থাৰ সভাপতি তাৰিক আহমেদ ইগানৰ লগতে বিষয়ববীয়া চাহিদ আহমেদ আৰু ইডেন আহমেদে জনোৱা মতে, বুধবাৰৰ খেলত কহিগুৱি এফ চিয়ে ধিঙৰ নিউষ্টাৰ ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৰদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)